




গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১৬ জানুৱাৰী ২০২৬/২ মাঘ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩৯ ● Vol - 14, Issue - 39


# উদ্যমিতা আঁচনি অসমৰ মহিলাসকললৈ আগবঢ়োৱা সন্মান ঃ ড° হিমন্ত বিশ্ব শৰ্মা

## শুৱালকুছিত ৩১১৯০ গৰাকী মহিলাক উদ্যমিতা আঁচনিৰ চেক বিতৰণ মুখ্যমন্ত্ৰীৰ




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** নাৰী সমাজৰ আৰ্থিক সবলীকৰণৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা বৃহৎ পদক্ষেপ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান। অসম চৰকাৰে নাৰী সমাজক আৰ্থিক দিশত আগুৱাই নিয়াৰ এক বৃহৎ কৰ্মযজ্ঞ আৰম্ভ কৰিছে। ইয়াৰ আধাৰতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ নৱ গঠিত ৩০ নং হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ ৩১১৯০ গৰাকী মহিলাক শুৱালকুছি বালিচৰৰ শ্ৰীশ্ৰী মাধৱদেৱ ক্ষেত্ৰত উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। চেক বিতৰণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত অসম চৰকাৰে ৩২ লাখ মহিলাক আৰ্থিক সবলীকৰণৰ বাবে ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজি বিতৰণৰ পদক্ষেপ লৈছে। আঁচনিখন ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৩২০০ কোটি টকা ব্যয় কৰিব। তেওঁ পুনৰ কয় যে, অসমত কোনোদিনে মাথোঁ মহিলাৰ আৰ্থিক সবলীকৰণৰ বাবে ইমান বৃহৎ আঁচনি ৰূপায়ণ কৰা হোৱা নাছিল। এই ১০ হাজাৰ টকা মাথোঁ আৰ্থিক সকাহ নহয়, বৰং ই ৰাজ্যৰ মহিলাসকললৈ আগবঢ়োৱা এক সন্মান। প্ৰতিগৰাকী মহিলা লাখপতি নোহোৱালৈকে চৰকাৰৰ এই পদক্ষেপ অব্যাহত থাকিব। হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ২২ খন পঞ্চায়তৰ আত্মসহায়ক গোটৰ দদৰা ২২৫৬, লাচিতগড় ১৩০৭, পছৰীয়া ১৭৯৪, বংশৰ ১৮২০, গন্ধমৌ ১৭৬৫, শিঙিমাৰী ১৬৭৬, মধ্য শুৱালকুছি ১২৩৮, পশ্চিম শুৱালকুছি, পূব শুৱালকুছি ১৬৩৯, ১নং হাজো ১৬৩৬, ২নং হাজো ৮১৮, বামুন্দী ১৬৪৭, বঙালপাৰা ১০২৫, দামপুৰ ৭৮৯, কলিতাকুছি ১৫৭৪, ক্ষেত্ৰী হাৰদিয়া ৬১৮, কুলহাটী-পাঁচগাঁও-চেচাঁমুখ ২৫০৭, বৰ্ণি ৮৯৩, লাহ-কয়াটোল-হালোগাঁও ১০২২, শনিয়াদী ৭৪২, শ্বহীদ খগেন ভৰালী ১৬৩২ আৰু শ্বহীদ নগেন ডেকা পঞ্চায়তৰ ৮৪৪ গৰাকী মুঠ ৩১১৯০ গৰাকী মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। সভাৰ অন্তত সাংবাদিকেৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী গৰাকীয়ে কংগ্ৰেছ দল সম্পৰ্কত মন্তব্য আগবঢ়াই কয় যে, কংগ্ৰেছে বিধানসভা নিৰ্বাচনৰ নামত মিঞা মুছলমানৰ পৰা ৩-৪ কোটি টকা ল'ব। যিটো আগতেও লৈছিল আৰু এতিয়াও ল'ব। তাৰ পিছত কংগ্ৰেছৰ মাৰামাৰি আৰম্ভ হ'ব। মাৰামাৰি হ'বই এইটো গেৰাণ্টি। লগতে তেওঁ কয় - যিহেতু হাজো আৰু জালুকবাৰী লগ লাগি নতুনকৈ হাজো-শুৱালকুছি সমষ্টি (অনুসূচীত জাতিৰ বাবে) গঠন হৈছে সেয়ে মই বা সুমন হৰিপ্ৰিয়া কোনেও এই সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰো সেয়েহে এই সমষ্টিত নতুন মুখ দেখিবলৈ পাব সমষ্টিৰ ৰাইজে। তেওঁ পুনৰ কয় যে, অগপ দলৰ লগতো আলোচনাৰ মাধ্যমেৰে আসন বুজা বুজি কৰাৰ লগতে বিপিএফ আৰু ইউ পি পি এলৰ লগতো মিত্ৰতাৰে বিধানসভা নিৰ্বাচনত *৫ পৃষ্ঠাত*

# মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপস্থিতিত উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন দেশৰ মুখ্য ন্যায়াধীশৰ

**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ ন্যায়িক খণ্ডৰ উত্তৰণৰ দিশত এক নতুন দিগন্তৰ সূচনাৰে যোৱা ১১ জানুৱাৰীত দেশৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰে। দুটা পৰ্যায়ত মুঠ প্ৰায় ১৭০০ কোটি টকা প্ৰকল্প ব্যয়ৰে ১৪৮ বিঘা ভূমিত স্থাপন হ'বলগীয়া এই সংহত ন্যায়িক আদালত চৌহদত উচ্চন্যায়ালয় ভৱন, উচ্চন্যায়ালয়ৰ অধিবক্তাৰ ভৱন, উচ্চন্যায়ালয়ৰ কাৰ্যালয় ভৱন, কামৰূপ আৰু কামৰূপ মহানগৰ জিলা আদালতসমূহৰ লগতে পাৰ্কিং আদি অন্যান্য সুবিধাসমূহ থাকিব। এই অত্যাধুনিক আদালত চৌহদক এক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে, য'ত বিভিন্ন ন্যায়িক কাম-কাজসমূহ একেখন চালিৰ তলতে সম্পন্ন হ'ব। ই আমাৰ ন্যায়িক ব্যৱস্থাৰ দক্ষতা বৃদ্ধিত সহায় কৰাৰ লগতে প্ৰতিগৰাকী নাগৰিকৰ বাবে ন্যায় প্ৰদান প্ৰক্ৰিয়া অধিক সহজ আৰু সুলভ কৰি তুলিব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ন্যায়, সত্য আৰু জনসাধাৰণৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে জন্মলগ্নৰে পৰা গুৱাহাটী উচ্চ ন্যায়ালয়ে আগবঢ়োৱা বৰঙণিক অসমবাসীয়ে সদায় কৃতজ্ঞতাৰে *১০ পৃষ্ঠাত*

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সফলতাৰ এক স্বৰ্ণিল অধ্যায়

■ **এহিয়া আহমেদ,** বৰথল কছাৰী গাঁও, মৰিগাঁও

## ভাৰতৰ অৰ্থনৈতিক মানচিত্ৰত অসমৰ জয়যাত্ৰা



**যি** সময়ত বিশ্বৰ অৰ্থনীতি অস্থিৰতাৰ মাজেৰে গতি কৰিছে, সেই সময়ত ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ অসমৰ পৰা অহা এক সুখবৰে সমগ্ৰ দেশবাসীক আচৰিত কৰি তুলিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যই স্পষ্ট কৰি দিছে যে যোৱা পাঁচ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) 45 শতাংশ বৃদ্ধি পাইছে। এয়া কেৱল এটা চৰকাৰী পৰিসংখ্যা নহয়, বৰঞ্চ ই এক অৰ্থনৈতিক বিপ্লৱৰ ঘোষণা। এই বিপ্লৱৰ মূল খনিকৰ হ'ল অসমৰ প্ৰজ্ঞাসম্পন্ন আৰু দুৰদৰ্শী মুখ্যমন্ত্ৰী সন্মানীয় ড° হিমন্ত বিশ্ব শৰ্মা। তেওঁৰ বলিষ্ঠ নেতৃত্বত অসমে আজি নিজৰ পৰিচয় 'সম্ভাৱনাপূৰ্ণ ৰাজ্য'ৰ পৰা 'সফল ৰাজ্য'লৈ ৰূপান্তৰিত কৰিছে।

যোৱা পাঁচ বছৰত অসমৰ অৰ্থনীতিৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল বিত্তীয় শৃংখলা। ড° শৰ্মা ডাঙৰীয়া বিত্তমন্ত্ৰী হিচাপে থকা কালৰে পৰা যি সংস্কাৰ আৰম্ভ কৰিছিল, মুখ্যমন্ত্ৰী হিচাপে তাক এক নতুন মাত্ৰা *১০ পৃষ্ঠাত*




# ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীলৈ শংকৰদেৱ অধ্যয়ন বঁটা, যোগেন্দ্ৰ নাথ দত্তলৈ মাধৱদেৱ অধ্যয়ন বঁটা



ড° ভূপেন্দ্ৰ ৰায়চৌধুৰী

**প্ৰবীন কুমাৰ দাস, গুৱালকুছি ঃ** শিক্ষা, সাংবাদিকতা আৰু অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে ২০২৬ বৰ্ষৰ শংকৰদেৱ অধ্যয়ন বঁটাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা শংকৰী সাহিত্যৰ সাধক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীক আৰু ২০২৬ বৰ্ষৰ মাধৱদেৱ অধ্যয়ন বঁটাৰ বাবে লখিমপুৰ জিলাৰ পানবাৰী নিৱাসী তথা বিশিষ্ট শিক্ষাবিদ তথা মাধৱদেৱ চৰ্চাৰ অন্যতম কাণ্ডাৰী যোগেন্দ্ৰ নাথ দত্তক নিৰ্বাচিত কৰিছে। ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীৰ পিতৃগৃহ বৰপেটাত যদিও দেউতাকৰ চাকৰিসূত্ৰে তেখেতে ১৯৫১ চনৰ পহিলা নৱেম্বৰত তিনিচুকীয়াত জন্ম গ্ৰহণ কৰে। ড° ৰায়চৌধুৰীয়ে প্ৰথমতে প্ৰাণী বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ পাছত হিন্দী বিষয়তো স্নাতকোত্তৰ ডিগ্ৰী লয়। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০১১ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ তথা হিন্দী সাহিত্য সন্মিলনৰ সৰ্বোচ্চ সন্মান 'সাহিত্য বাচস্পতি' প্ৰাপক ড° ৰায়চৌধুৰীয়ে জীৱন কালত গুৰুদুজনাৰ সৃষ্টি ৰাজিৰ ওপৰত অধ্যয়ন কৰি ভালেকেইখন মূল্যৱান গ্ৰন্থ অসমীয়া সাহিত্যৰ ভঁৰাললৈ উপহাৰ দিছে। তেখেতৰ শংকৰী সাহিত্য বিষয়ক কেইখনমান মূল্যৱান গ্ৰন্থ হ'ল ঃ শ্ৰীমন্ত শংকৰদেৱৰ বাণী, শ্ৰীমন্ত শংকৰদেৱৰ জীৱন সুৰভি, শ্ৰীমন্ত শংকৰদেৱৰ কৃতিত্বৰ সুবাস, ভক্ত শিৰোমণি ৰামৰায়, কীৰ্তন অমৃতকথা, শ্ৰীশ্ৰী মথুৰাদাস বুঢ়া আতাৰ জীৱন সুৰভি, মহাপুৰুষীয়া ধৰ্মৰ দশৰত্ন, মহাপুৰুষৰ নিৰ্মালি: সুৰদি সুবাস, বৰপেটা সত্ৰৰ ইতিবৃত্ত, বৰদোৱা থানৰ ইতিবৃত্ত, পাটবাউসী থানৰ ৰূপৰেখা, বৰপেটাৰ ঐতিহ্য, সুন্দৰীদিয়া সত্ৰৰ বুৰঞ্জী, অকণিৰ মাধৱদেৱ, ড° বাণীকান্ত কাকতিৰ ইংৰাজী গ্ৰন্থ 'শংকৰদেৱ'ৰ অসমীয়া অনুবাদ আদি। তেখেতে গুৰু দুজনাৰ জীৱন আৰু কৃতি বিষয়ক কেইবাখনো গ্ৰন্থ হিন্দী ভাষাত লিখিছে। আনহাতে যোগেন্দ্ৰ নাথ দত্তই বিগত কেইবছৰমান ধৰি গুৰুজনাৰ সাহিত্য, জীৱন দৰ্শনৰ ওপৰত অধ্যয়ন কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাললৈ বহু কেইখন মূল্যৱান গ্ৰন্থ উপহাৰ দিছে। তেখেতৰ মাধৱদেৱ বিষয়ক কেইখনমান গ্ৰন্থ হ'ল ঃ মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীৰ ইতিহাস



যোগেন্দ্ৰ নাথ দত্ত

বিচাৰি, মাধৱদেৱৰ গুৰু ভক্তি, মাধৱদেৱৰ ধৰ্ম দৰ্শন, অনন্য প্ৰতিভাৰ পুৰুষ মাধৱদেৱ আৰু লেটেকুপুখুৰী, শংকৰদেৱ-মাধৱদেৱৰ জীৱন জ্যোতি, ভক্তিৰ কহিনুৰ মহাপুৰুষ মাধৱদেৱ, মাধৱদেৱৰ নামঘোষাত ভক্তিতত্ত্ব আৰু মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীলৈ যাওঁ,পকা পকা লেটেকু বুটলি খাওঁ আদি উল্লেখযোগ্য। লখিমপুৰ জিলাৰ মাধৱদেৱ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ দত্ত এগৰাকী ৰাষ্ট্ৰীয় বঁটা প্ৰাপক। তেখেতে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনো লাভ কৰিছে। ১৯৪৮ চনৰ পহিলা ফেব্ৰুৱাৰীত লখিমপুৰ জিলাৰ পানবাৰীত জন্মগ্ৰহণ কৰা দত্তই মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰী পৰিচালনা সমিতিৰো সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি অনুষ্ঠানটোৰ উন্নতি সাধন কৰে।

# ধূমপানৰ ভয়াৱহতা

■ **শামনুৰ আলম**

ধূমপানে শৰীৰৰ প্ৰায় প্ৰতিটো অংগক ক্ষতি কৰিব পাৰে। ধূমপানে নিজাকৈ শৰীৰত অনিষ্ট কৰাৰ ওপৰিও ড্ৰাগছ আসক্তিত অৰিহণা যোগায়। মানুহে ধূমপান কৰোতে বহু সংখ্যক ৰাসায়নিক পদাৰ্থৰ সৃষ্টি হয়। তাৰ ভিতৰত ৰাগীয়াল পদাৰ্থ নিক'টিনেই প্ৰধান। এইবোৰ (নিক'টিন) শৰীৰত প্ৰৱেশ কৰি শৰীৰত থকা এড্ৰিনেল গ্ৰন্থিক আক্ৰমণ কৰি এড্ৰিনেলিন আৰু নৰ এড্ৰিনেলিন নামৰ হৰমন নিঃসৰণ কৰিবলৈ উত্তেজনা যোগায়। এইবোৰ তেজত মিহলি হৈ উচ্চ ৰক্তচাপ (High Blood Pressure) আৰু হৃদপিণ্ডৰ ধপধপনি সৃষ্টি কৰে। ধূমপান হাঁওফাঁও, মূত্ৰথলী আৰু ডিঙিৰ কৰ্কট ৰোগ (Cancer, কেন্সাৰ) হোৱাত অৰিহণা যোগায় আৰু শ্বাসজনিত ৰোগ 'ব্ৰংকাইটিচ', 'এমফাইচেমা' হ্ৰাস কৰে, হৃদৰোগ আদিৰ সৃষ্টি কৰে।

ধপাত সেৱন আৰু ধূমপান কৰা মানুহৰ কৰ্কট ৰোগ (Cancer) হোৱাৰ সম্ভাৱনা থাকে। ধূমপানে তেজত কাৰ্বন মন'অক্সাইড (CO)-ৰ পৰিমাণ বঢ়ায় আৰু অক্সিজেন যুক্ত অক্সিহিম'গ্লবিনৰ পৰিমাণ হ্ৰাস কৰে। ই দেহত অক্সিজেনৰ পৰিমাণ হ্ৰাস কৰে। (অক্সিজেনৰ পৰিমাণ হ্ৰাস হ'লে শৰীৰৰ শক্তি কমি যোৱাটো নিশ্চিত।) কাৰ্বন মন'অক্সাইডৰ হিম'গ্লবিনৰ আসক্তি অক্সিজেনতকৈ প্ৰায় ২০০ গুণ বেছি। সেয়ে কাৰ্বন মন'অক্সাইডৰ উপস্থিতিত হিম'গ্লবিনে অক্সিহিম'গ্লবিন যৌগ গঠন কৰাৰ পৰিবৰ্তে কাৰ্বক্সিহিম'গ্লবিন নামৰ এবিধ যৌগ গঠন কৰে। ই এবিধ স্থায়ী আৰু বিষাক্ত দ্ৰব্য। এনে অৱস্থাত কোষবোৰে অক্সিজেন ক্ষুধাত ভোগে। ফলত মানুহে মূৰ ঘূৰনি, মূৰ কামোৰণি, বমি ভাব আদি বেমাৰত ভোগে।

আমেৰিকা যুক্তৰাষ্ট্ৰত ধূমপানৰ পৰা বছেৰেকীয়া মৃত্যুৰ হাৰ ঃ আমেৰিকাত প্ৰতি বছৰে ৪৮০,০০০ -তকৈ অধিক লোকৰ মৃত্যু হয় কেৱল ধূমপানৰ পৰা। (Only from Cigarette Smoking) ১। স্ট্ৰোক - ১৫,৩০০ (3%), ২। আন কৰ্কট ৰোগঃ - ৩৬০০০ (7%) ৩। আন ৰোগ নিৰ্ণয় ঃ - ৩১৬৮১ (7%) ৪। ক্ৰনিক অবষ্ট্ৰাক্টিভ পালমোনাৰী ৰোগ ঃ - ১০০,৬০০ (21%) ৫। হৃদৰোগ ঃ - ১৫৮,৭৫০ (33%) ৬। হাওঁফাওঁৰ কৰ্কট ৰোগ ঃ- ১৩৭,৯৮৯ (29%).

কিছুমানে এইবুলি বুলি আওৰায় যে, কিমান মানুহে ধূমপান কৰে তেওঁলোকৰতো কেন্সাৰ নহয় আৰু ধূমপান নকৰা সকলোৰোতো কেন্সাৰ হয় (বা হ'ব পাৰে)। আচলতে যুক্তিপূৰ্ণ কথাটো হ'ল যে, ধূমপান নকৰা ব্যক্তি এজনৰো কেতিয়াবা কেন্সাৰ হ'ব পাৰে। প্ৰকৃততে তেওঁ ধূমপান নকৰা ব্যক্তি হ'লেও এই কেন্সাৰ যে ধূমপানৰ প্ৰভাৱতেই হৈছে; এয়া ৮০%-তকৈ অধিক গ্ৰহণযোগ্য। ইয়াক আমি নুই কৰিব নোৱাৰি। কাৰণ, প্ৰায় ৮০% মানুহে ধূমপান কৰে আৰু ২০% মানুহে তেওঁলোকৰ লগত উঠা-বহা কৰে। এয়া হ'লগৈ ১০০%।

কোনোবা এজনে চিগাৰেট মুখেৰে টানিবলৈ ধৰিলে আৰু চিগাৰেটৰ প্ৰতি অনাসক্ত ব্যক্তি এজনে ওচৰত থাকিলে; এইক্ষেত্ৰত চিগাৰেটৰ ভয়াৱহতা ওচৰত থকা ব্যক্তিজনৰ প্ৰতি বেছি মাৰাত্মক হ'ব। আৰু ওচৰত থকা ব্যক্তিজনৰেই কেন্সাৰ হোৱাৰ সম্ভাৱনা বেছি। গতিকে ধূমপান নকৰা ব্যক্তি এজনৰ যদি কেন্সাৰ হয় তেন্তে পৰোক্ষভাৱে এয়া যে ধূমপানৰ প্ৰভাৱতেই হৈছে, এয়া স্বীকাৰ কৰিব লাগিব।

**ম'বাইল ঃ** ৮৬৩৮৮-৮২১২৪

# বৰছলাৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত 'দেশজ সাংস্কৃতিক সমাৰোহ' সম্পন্ন

## ভিন্ন জনগোষ্ঠীৰ গীত নৃত্য সাজপোচাক খাদ্যসম্ভাৰ আৰু আ-অলংকাৰ প্ৰদৰ্শন, গ্ৰন্থ উন্মোচন




**ৰমেন ভৰালী, বংশৰ ঃ** ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত এক সুদৃঢ় সম্পৰ্ক সদায় থাকিব লাগে। এই সম্পৰ্ক অধিক কটকটীয়া কৰিব পাৰে অভিভাৱকে। শিক্ষক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক এই তিনিটাৰ সমন্বয়তহে শিক্ষা ব্যৱস্থাই পূৰ্ণ ৰূপ পায়। এই মন্তব্য তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী পৃথ্বীৰাজ ৰাভাৰ। যোৱা ৯ জানুৱাৰীত শোণিতপুৰ জিলাৰ এখনি অগ্ৰণী শিক্ষানুষ্ঠান বৰছলা সমষ্টিৰ বিহগুৰিস্থ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা দেশজ সাংস্কৃতিক সমাৰোহত বিদ্যালয়খনৰ বালভাটিকা শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ অভিভাৱকসকলে অসমীয়া, বড়ো, নেপালী, মিছিং, বাঙালী, ৰাভা, টাই আহোম জনগোষ্ঠীৰ পোছাক পৰিধান কৰাৰ লগতে প্ৰতিটো জনগোষ্ঠীৰ নৃত্য আৰু খাদ্যভাষ আৰু অলংকাৰ প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া হেম কান্ত বৰাই এগৰাকী অতিথি হিচাপে উপস্থিত থাকে। বৰাই ভাষণ প্ৰসঙ্গত বিদ্যালয়খনৰ কৰ্তৃপক্ষক ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কৰা এই অনুষ্ঠানে আমাক একতাৰ আৰু ভাতৃত্বৰ বান্ধোনে সুদৃঢ় কৰিব বুলি উল্লেখ কৰে লগতে প্ৰতিটো জনগোষ্ঠীৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে জানিবলৈ সক্ষম হ'ব বুলি সদৰি কৰে। মুখ্য অতিথিৰ আসনৰ পৰা কলাগুৰু বিষ্ণুৰাভা দেৱৰ পুত্ৰ তথা তেজপুৰ বিধান সভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই ১৮৬৮ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা হোৱা তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কথা উল্লেখ কৰি কয় যে এই ঐতিহ্যমণ্ডিত বিদ্যালয়খনত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণীশৰ্মা ড° ভূপেন হাজৰিকা, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, চন্দ্ৰকুমাৰ আগৰৱালা আদি মহান মনিষীসকলে অধ্যয়ন কৰি বিদ্যালয়খনক মহিমামণ্ডিত কৰিছিল। একেদৰে বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ পৰাও অনাগত ভৱিষ্যতে অকল ডাক্তৰ, ইঞ্জিনীয়াৰতে সীমাবদ্ধ নাথাকি সমাজৰ এগৰাকী ভাল মানুহো সৃষ্টি হোৱাৰ কামনা কৰে। বিদ্যালয়খনৰ শিক্ষক জয়শ্ৰী শৰ্মা আৰু মাধুৰ্যৰঞ্জন কৌশিকে আঁতধৰা এই সভাখনত বিদ্যালয় খনৰ অধ্যক্ষ ৰূপাঞ্জলী বৰঠাকুৰ সহকাৰী অধ্যক্ষ সঞ্জাৰী অধ্যাপক নিম্ন শাখাৰ অধ্যক্ষ সঙ্গীতা দেৱী জ্যেষ্ঠ শিক্ষয়িত্ৰী চন্দনা শৰ্মা আদিকে ধৰি প্ৰায় শতাধিক, শিক্ষক-শিক্ষয়িত্ৰী অভিভাৱক আৰু সাত শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল। সভাৰ মাজতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰে। এই সভাতে অভিভাৱক মৃধুস্মিতা বৰদলৈয়ে ৰচনা কৰা সপোন নদীৰ সিপাৰে নামৰ গ্ৰন্থখন উন্মোচন কৰে বিধায়ক পৃথ্বীৰাজ ৰাভাই। উল্লেখ্য যে অভিভাৱক সকলে বিহু, বড়, নেপালী, মিছিং আদি জনগোষ্ঠীৰ নৃত্য সমূহীয়াকৈ প্ৰদৰ্শন কৰাৰ লগতে এগৰাকী অভিভাৱিকা প্ৰণামিকা বৰাই অকলেই ৰাভা নৃত্য প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে।



## চন্দ্ৰশেখৰ পৰাজুলীৰ

# মনৰ মাজৰ যুদ্ধ

■ **ললিত নাথ,** ইটাখোলা




চন্দ্ৰ শেখৰ পৰাজুলী সাম্প্ৰতিক কালৰ অসমীয়া গদ্য সাহিত্য জগতৰ এগৰাকী উল্লেখযোগ্য মননশীল গদ্যকাৰ। বিশ্বনাথ চাৰিআলিৰ এইগৰাকী তৰুণ প্ৰবন্ধকাৰৰ সদ্য প্ৰকাশিত চতুৰ্থখন প্ৰবন্ধ সংকলন 'মনৰ মাজৰ যুদ্ধ' আধুনিক মনৰ অন্তৰ্দ্বন্দ্বৰ এক অতি সংবেদনশীল সাহিত্যকৃতি।

এই প্ৰবন্ধ সংকলনখন অসমীয়া সাহিত্যৰ এক মূল্যৱান সংযোজন। লেখকে দৈনন্দিন জীৱনৰ সৰু সৰু ঘটনাৰ মাজেৰে মানৰ মনৰ ভিতৰত নিৰন্তৰ চলি থকা দ্বন্দ্ব, সংঘাত, চিন্তাৰ বৈপৰীত্য আৰু নিৰ্মম যন্ত্ৰণাময় নেতিবাচক চিন্তা আদি সৰল অথচ গভীৰ ভাষাৰে উপস্থাপন কৰিছে। গ্ৰন্থখনৰ প্ৰায়বোৰ প্ৰবন্ধতে লেখকে মূল্যবোধৰ অৱক্ষয়, টুটি অহা সামাজিক সম্পৰ্ক দৰে বিষয়সমূহ সূক্ষ্মভাৱে উন্মোচিত কৰিছে। এই লেখাসমূহত স্বাৰ্থ-নিঃস্বাৰ্থতা, কঠোৰতা-কোমলতা, অহংকাৰ-বিনয়ৰ মাজত অবিৰাম দ্বন্দ্ব দেখা যায়, যি দ্বন্দ্বই মানুহৰ অস্তিত্বক জটিল আৰু বহুমাত্ৰিক ৰূপ দান কৰিছে। প্ৰতিটো মুহূৰ্ততে এনে দ্বন্দ্বময় বাছনিৰ সন্মুখীন হৈ থকা আধুনিক মানুহৰ আত্মিক সংকটক গ্ৰন্থখনে সংবেদনশীলতাৰে সান্ত্বনা দি আশ্বস্ত কৰিবলৈ সক্ষম হৈছে। মুঠ ৫৬টা প্ৰবন্ধত লেখকে সম্পৰ্কৰ অৱনতি, স্বাৰ্থপৰতা, ঠাট্টা, বিদ্ৰূপ, হাঁহি, অপমানবোধ, ৰূঢ়তা, ৰুক্ষতা, অৱজ্ঞা, নীতিহীনতা, স্বাৰ্থপৰতা, অসুস্থ মানসিকতা, হীনমন্যতা আদি অৱজ্ঞাজনিত নেতিবাচক দিশবোৰ উপেক্ষা কৰি জীৱনক মহিমামণ্ডিত কৰি তোলাৰ সন্ধান দিছে। লেখকৰ দৃষ্টিভংগী বাস্তৱবাদী, তেওঁ মানুহৰ স্বাৰ্থপৰ স্বভাৱক অস্বীকাৰ নকৰি আন্তৰিকতা, দায়িত্ববোধ আৰু ভাল কৰ্মৰ জৰিয়তে সুস্থ জীৱন গঢ়াৰ পথ দেখুৱাইছে।

কেইটামান উক্তিয়ে লেখকৰ চিন্তাৰ গভীৰতা সুন্দৰকৈ প্ৰকাশ কৰিছে। যেনে- 'মানুহ এজন বয়সৰ দ্বাৰা নহয়, দায়িত্বশীলতাৰ জৰিয়তেহে পৰিপক্ব হৈ উঠে'- এই বাক্যই পাঠকক গভীৰ আত্মবিশ্লেষণৰ দিশে লৈ যায়। সম্পৰ্কৰ বাস্তৱিক ৰূপ উন্মোচন কৰি তেওঁ কৈছে যে, সম্পৰ্ক কেৱল তেজৰ সম্পৰ্কতে সীমাবদ্ধ নহয়, কৰ্ম আৰু ব্যৱহাৰৰ জৰিয়তেৰো ই গঢ় লৈ উঠে। স্বাৰ্থপৰতাৰ সমালোচনাত 'স্বাৰ্থপৰ মানুহ আৰু ধূলিকণাবোৰ সদায় বতাহৰ দিশতেহে গতি কৰে'ৰ দৰে বাক্য বিশেষভাৱে মনোগ্ৰাহী। হাঁহিৰ সামাজিক দায়িত্ব, অপমানৰ প্ৰভাৱ আৰু বাহ্যিক-অন্তৰ্নিহিত বৈপৰীত্যৰ বিষয়ে দিয়া মন্তব্যসমূহ সমানেই চিন্তাজনক আৰু পাঠকক নিজৰ জীৱনৰ প্ৰতি নতুন দৃষ্টিৰে চোৱাৰ প্ৰেৰণা যোগায়। গ্ৰন্থখনৰ ভাষা সহজ, সংযত আৰু প্ৰাঞ্জল। কিন্তু প্ৰতিটো বাক্যতে এক গভীৰ বাৰ্তা লুকাই আছে।

সংস্কৃত শ্লোক, শ্ৰীকৃষ্ণৰ উক্তি আৰু মহাভাৰতৰ প্ৰসংগৰ জৰিয়তে লেখকে প্ৰাচীন জ্ঞানক বৰ্তমান সমাজৰ সৈতে সাৱলীলভাৱে সংযোগ কৰিছে।

লেখকে নিজেই কৈছে যে, এই গ্ৰন্থখন কোনো মহান গৱেষণাৰ ফচল নহয়, কেৱল সামান্য সমস্যা সমাধানৰ জৰিয়তে সমাজত সজাগতা সৃষ্টি কৰিব বিচৰা এক প্ৰয়াস মাত্ৰ। 'মনৰ মাজৰ যুদ্ধ' এক জীৱন দৰ্শন, যিয়ে পাঠকক মনৰ সংগ্ৰামত জয়ী হ'বলৈ পথ দেখুৱায়। আধুনিক মনৰ মানুহৰ আত্মিক দ্বন্দ্বক প্ৰতিনিধিত্ব কৰিবলৈ এনে গ্ৰন্থ অতি প্ৰয়োজনীয়। সেয়েহে প্ৰতিগৰাকী চিন্তাশীল পাঠকে গ্ৰন্থখন পঢ়া উচিত।

**ম'বাইল ঃ** ৯৫৪১-৩৯৪৯৩

# নগাঁৱত কৃষি সামগ্ৰী ব্যৱসায়ীৰ পোন্ধৰ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি




**জয়ন্ত মুদৈ, নগাঁও ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট আৰু ৰাজ্যিক সমবায় সমিতিৰ যুটীয়া উদ্যোগত তথা কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ দ্বাৰা আয়োজিত কৃষি সামগ্ৰী ব্যৱসায়ীৰ পোন্ধৰ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সোমবাৰে সামৰণি পৰে। এই উপলক্ষে নগাঁৱৰ শিমলুগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত আৰম্ভণি ভাষণ প্ৰদান কৰি কেন্দ্ৰটিৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° ভৱেশ চন্দ্ৰ ডেকাই কৃষি সামগ্ৰী ব্যৱসায়ীসকলক এই পোন্ধৰ দিনীয়া প্ৰশিক্ষণৰ দ্বাৰা প্ৰয়োজনীয় জ্ঞানেৰে সমৃদ্ধ কৰি উপযুক্ত সময়ত কৃষকসকলৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ মজুত ৰাখি সহায় কৰাৰ লগতে কৃষি ব্যৱস্থাপনা, বিভিন্ন কৃষি প্ৰযুক্তিৰ পৰামৰ্শ প্ৰদানৰ জৰিয়তে কৃষকসকলৰ উত্তম কৃষি কাৰ্যত সহযোগিতা কৰাৰ কৰ্তব্য পালন কৰিব বুলি মন্তব্য কৰে। লগতে তেওঁ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত কৃষি গৱেষণা কেন্দ্ৰই ৰূপায়ণ কৰি অহা কৰ্ম পদ্ধতিৰ বিষয়ে আলোকপাত কৰে। কেন্দ্ৰৰ ভূমি বিজ্ঞান বিশেষজ্ঞ দিপেন চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ সমবায় সমিতিৰ উপ পঞ্জীয়ক মৰমী ভকতে প্ৰদান কৰা নিজৰ ভাষণত এই প্ৰশিক্ষণ গ্ৰহণ কৰা কৃষি সামগ্ৰী ব্যৱসায়ীসকলে অনাগত দিনত নিজৰ অঞ্চলৰ কৃষকসকলক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিলে কৃষকসকল উপকৃত হ'ব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষণ গ্ৰহণ কৰাসকলৰ ফালৰ পৰা ৰাজীৱ হাজৰিকা, ঋতুৰাজ বৰা, কৃষ্ণমণি নাথ আৰু কমৰুল হক চৌধুৰীয়ে প্ৰশিক্ষণ শিবিৰৰ পৰা লাভ কৰা কৃষি পদ্ধতিৰ সম্যক জ্ঞান আৰু অভিজ্ঞতাৰ বিষয়ে অৱগত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সমবায় বিভাগৰ জ্যেষ্ঠ গাণনিক ৰাহুল দেৱ গোস্বামী, খগেন ধাকাল, আনোৱাৰ চাদাত ধৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ কৰ্মচাৰীসকল উপস্থিত থাকে। সামৰণিত প্ৰশিক্ষণ কাৰ্যসূচীত ভাগ লোৱা নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ মুঠ ২৪ খন সমবায় সমিতিৰ প্ৰতিনিধিক মানপত্ৰ প্ৰদান কৰা হয়।

# অস্তিত্বৰ সংকটত শুৱালকুছিৰ আৰিমত্ত ৰজাই খন্দা বুৰঞ্জী প্ৰসিদ্ধ পুখুৰী

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ বুৰঞ্জীৰ ইতিহাস প্ৰসিদ্ধ সম্পদসমূহৰ ভিতৰত আৰিমত্ত ৰজাই খন্দা শুৱালকুছিৰ ঐতিহাসিক আৰিমত্ত পুখুৰী অন্যতম। প্ৰায় ১২০০ শতিকাৰ পৰা ১৩০০ শতিকাৰ ভিতৰত দৰঙী ৰজা আৰিমত্তৰ নিৰ্দেশত নিৰ্মাণ কৰা এই পুখুৰীটোক কেন্দ্ৰ কৰি বহু লোকবিশ্বাসৰ কাহিনীও প্ৰচলিত হৈ আহিছে বৃহত্তৰ অঞ্চলটোৰ বয়োজ্যেষ্ঠসকলৰ মুখে মুখে। পশ্চিম শুৱালকুছি পঞ্চায়তৰ ৰাজগড়ৰ সমীপতে খন্দা পুখুৰীটো সেই সময়ৰে প্ৰায় ১০০ বিঘা মাটিত প্ৰজাৰ সুবিধাৰ বাবে নিৰ্মাণ কৰা হৈছিল। সময়ৰ সোঁতত আৰু সংৰক্ষণৰ অভাৱত আৰিমত্ত ৰজাই খন্দা পুখুৰীটোৰ ভৌগোলিক সীমা কমি আহিছে যদিও বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা সেই সময়ৰ স্থানীয় বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত ৩২ বিঘা ভূমি সামৰি পুখুৰীটো চৰকাৰীভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা লৈছিল কংগ্ৰেছ চৰকাৰৰ তৰুণ গগৈৰ শাসন কালত। বৰ্তমানৰ কামৰূপৰ আয়ুক্ত তথা সেই সময়ৰ শুৱালকুছিৰ খণ্ড উন্নয়ন বিষয়া দেৱ কুমাৰ মিশ্ৰই প্ৰায় ৩৫ লাখ টকা ব্যয়েৰে অসম চৰকাৰৰ হাৰিয়ালি আঁচনিৰ জৰিয়তে ৰজাদিনীয়া আৰিমত্ত পুখুৰীটোৰ চাৰিসীমা পকী দেৱাল নিৰ্মাণ কৰি পুখুৰীটো চাফ-চিকুণ কৰি আটক ধুনীয়া কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। ফলত ৰজাদিনীয়া পুখুৰীটোৰ প্ৰতি আকৰ্ষিত হৈ পৰ্যটক সকল মুগ্ধ হৈছিল। পৰৱৰ্তী পৰ্যায়ত পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ জৰিয়তে ১০ লাখ আৰু শুৱালকুছি জিলা পৰিষদৰ জৰিয়তে পুখুৰীটোৰ উন্নয়ন আৰু সংৰক্ষণৰ নামত প্ৰায় ১৫ লাখ ব্যয় কৰা হৈছিল। পশ্চিম শুৱালকুছি মীন সমবায় সমিতিৰ চোৱা-চিতাৰ দায়িত্বত থকা ৰজাদিনীয়া এই পুখুৰীটোৰ বৰ্তমানৰ অৱস্থা বৰ পুতৌলগা। সম্প্ৰতি পুখুৰীটোৰ চৌহদ নানান আৱৰ্জনাৰে ভৰি পৰিছে। পুখুৰীটোৰ চাৰিওফাল হাবি-জংঘলে আগুৰি ধৰিছে। লেতেৰা আৱৰ্জনাৰে ভৰপূৰ ৰজাদিনীয়া পুখুৰীটো এতিয়া পেলনীয়া স্থানলৈ ৰূপান্তৰ হৈছে। ফলস্বৰূপে ঘন জনবসতি পূৰ্ণ এলেকাটো নৰক কুণ্ডত পৰিণত হোৱা পৰিলক্ষিত হৈছে। এটা সময়ত পদুম ফুলেৰে পৰিপূৰ্ণ ৰজাদিনীয়া আৰিমত্ত পুখুৰীটোত আছিল বিৰল প্ৰজাতিৰ থলুৱা মাছ আৰু কাছৰ বাসস্থলী। জল উদ্ভিদেৰে চহকী আৰিমত্ত পুখুৰীটো এতিয়া আৱৰি ধৰিছে লেতেৰা আৱৰ্জনা আৰু ঘাঁহ-বনে। নিশা হ'লেই এতিয়া ৰজাদিনীয়া পুখুৰীটোৰ পাৰত সুৰাপায়ী তথা অসামাজিক কাৰ্যকলাপৰ আড্ডাস্থলীলৈ পৰিণত হোৱাৰো অভিযোগ উত্থাপন হৈছে। পৰ্যটকৰ আকৰ্ষণৰ পূৰ্ণ সম্ভাৱনা থকা ৰজাদিনীয়া পুখুৰীটো প্ৰায় ৬০ লাখৰো অধিক ধন খৰচ কৰি ন-ন ৰূপ দিয়াৰ পাছতো কাৰ ভুলৰ বাবে পুখুৰীটো পেলনীয়া স্থানলৈ পৰ্যবসিত হৈছে সেয়াও এক চিন্তাৰ বিষয় হিচাপে চৰ্চা হৈছে সচেতন মহলত। মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত আৰিমত্ত ৰজাই নিৰ্মাণ কৰা পুখুৰীটো অতি শীঘ্ৰে নতুন ৰূপত সজাই তুলি পুখুৰীটোৰ ইতিহাস ভৱিষ্যত প্ৰজন্মই জানিব পৰা সুবিধা কৰাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তুলিবলৈ দাবী জনাইছে বিভিন্ন দল-সংগঠনে।

# তেজপুৰ মহাবিদ্যালয়ত ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক স্কুটাৰ প্ৰদান বিধায়ক পৃথ্বীৰাজ ৰাভা




**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ উঘানগৰী তেজপুৰৰ এখন আগশাৰী শিক্ষানুষ্ঠান হিচাপে পৰিচিত তেজপুৰ মহাবিদ্যালয়ত শনিবাৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশৰ লগতে ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত শনিবাৰে স্কুটাৰ প্ৰদান কাৰ্যসূচী সম্পন্ন হয়। এই উপলক্ষে তেজপুৰ মহাবিদ্যালয়ত আয়োজিত স্কুটি বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়া আৰু তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকা। তেজপুৰ মহাবিদ্যালয় আৰু দৰং মহাবিদ্যালয়ৰ অন্তৰ্গত সৰ্বমুঠ ২২৬ গৰাকী ছাত্ৰ-ছাত্ৰীক এই বঁটা বিতৰণ কৰা হয়।

# শিমলুগুৰিত লক্ষীমপুৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন




**বিশেষ সংবাদাতা, শিমলুগুৰি ঃ** লক্ষীমপুৰ জিলা সাহিত্য সভাৰ আগন্তুক মধ্যকালীন অধিৱেশনখনি শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত দুদিনীয়া কাৰ্যসূচীৰে শিমলুগুৰিত অনুষ্ঠিত হৈ যায়। প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা গছপুলি ৰোপণৰ পিছতেই পতাকা উত্তোলন কৰে শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি বিতোপন গগৈয়ে। স্মৃতি তৰ্পণ কৰে শাখাৰ উপ-সভাপতি ইন্দিৰা গগৈ ফুকনে আৰু শ্বহীদ তৰ্পণ কৰে লক্ষীমপুৰ জিলা শহীদ পৰিয়াল সমন্বয় ৰক্ষা পৰিষদৰ সভাপতি কৃষ্ণ বৰপাত্ৰ গোহাঁইয়ে। গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দেৱজিৎ দুৱৰাই। পৰৱৰ্তী সময়ত কুঞ্জ লাহনৰ সঞ্চালনাত অনুষ্ঠিত কুইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতাৰ উদ্বোধন কৰে শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ডম্বৰ প্ৰসাদ ৰিজালে। শিমলুগুৰি স্বৰ্ণ শাখা সমিতিৰ সভাপতি বিতোপন গগৈয়ে আঁত ধৰা শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ প্ৰতিনিধি আৰু আজীৱন সভ্য সন্মিলনখনিৰ শুভ উদ্বোধন কৰে শিমলুগুৰি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জীৱন সন্দিকৈয়ে। তাৰ পিছতেই অনুষ্ঠিত সভাত শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ দ্বিতীয় সংখ্যক মুখপত্ৰ 'শিমলুৰা প্ৰহৰ' উন্মোচন কৰে শিমলুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি শইকীয়াই। আনহাতে, অৱসৰপ্ৰাপ্ত শিক্ষক শিৱ প্ৰসাদ বৰাৰ কবিতা সংকলন 'হেঙুলীয়া' উন্মোচন কৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মাখন তামুলীয়ে। জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়, বিশিষ্ট সমাজকৰ্মী অচ্যুৎ শইকীয়াকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। বিহু নাচ, আধুনিক নৃত্য, কৃষ্ণ নৃত্য, হৰিনামেৰে মুখৰ হৈ পৰা সভাখনি সন্ধিয়া বন্তি প্ৰজ্বলনেৰে সামৰণি হয়। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পিছতেই লক্ষীমপুৰ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। তাৰ পিছতেই লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বাৰ্ষিক প্ৰতিনিধি সভা অনুষ্ঠিত হয়। দিনৰ ১১ বজাত গুৱাহাটী উচ্চ ন্যায়লয়ৰ অধিবক্তা তথা সমাজকৰ্মী নৰজিৎ বৰাই শুভ উদ্বোধন কৰে সাংস্কৃতিক শোভাযাত্ৰাৰ। 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতেৰে মুকলি সভাৰ মঞ্চ শুভাৰম্ভ হয়। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক প্ৰবীন হাজৰিকা আৰু সাংগঠনিক সম্পাদক দেৱজিৎ দুৱৰাই আঁত ধৰা সভাৰ সভাপতিত্ব কৰে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি সঞ্জীৱ উপাধ্যায়ে। সভাখনি উদ্বোধন কৰে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিৰণ কুমাৰ বৰাই আৰু আদৰণী ভাষণ প্ৰদান কৰে সভাপতি ডিম্বেশ্বৰ ফুকনে। মুখ্য বক্তা হিচাপে ভাষণ প্ৰদান কৰে নৰ্থ লক্ষীমপুৰ মহাবিদ্যালয়ৰ উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰাই। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সাৰুৱা ভাষণ প্ৰদান কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদকদ্বয় যাদব শৰ্মা আৰু উপেন্দ্ৰজিৎ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক শংকুসিদ্ধ নাথ, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ প্ৰতিনিধি প্ৰশান্ত মোদক, বিহপুৰীয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক দেৱানন্দ হাজৰিকা, লক্ষীমপুৰ জিলা পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি তেলিৰাম দুৱৰা, বিশিষ্ট সমাজসেৱক হৰেণ দেউৰী, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ক্ৰমে বঙ্কিম বৰুৱা, বিপুল শৰ্মা বৰুৱা, গুণ ভূঞা, অপূৰ্ব ফুকন, উপেন হাজৰিকা, দয়ানন্দ গোস্বামী, অসম সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰা, আকাশ উপ-সমিতিৰ আহ্বায়ক মানসী শইকীয়া, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দীপক ভৰালী, লক্ষীমপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি উমানন্দ বৰুৱা, সমাজকৰ্মী প্ৰণৱ ভূঞা, শিমলুগুৰি আঞ্চলিক বড়ো সাহিত্য সভাৰ সভাপতি হৰকান্ত বসুমতাৰী, শিমলুগুৰি নেপালী সাহিত্য সভাৰ সভাপতি ভীম দাহাল, পংকজ বেজবৰুৱা, নলবাৰী জিলাৰ প্ৰাক্তন সম্পাদক, যতীন্দ্ৰনাথ সূত, আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক, শোভন চন্দ্ৰ শইকীয়া সম্পাদক বিশ্বনাথ জিলাৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। উক্ত সভাতে সাহিত্য সভাৰ 'ই' আলোচনীৰ লগতে, জিলা সাহিত্য সভাৰ মুখপত্ৰ 'সোৱণশিৰি', শিমলুগুৰি স্বৰ্ণ শাখা সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ 'শিমলুগুৰি', অপৰাজিতা হাজৰিকাৰ সম্পাদনাত কাব্যগ্ৰন্থ 'কাব্যগ্ৰন্থ', দশমী গগৈ বৰবৰুৱা কাব্য সংকলন 'লেফাফা', ইন্দিৰা গগৈ ফুকনৰ 'সমাজ, সংস্কৃতি, বীক্ষণ' আৰু দীপ্তি সন্দিকৈৰ কাব্যগ্ৰন্থকে প্ৰমুখ্য কৰি কেইখাকনো গ্ৰন্থ উন্মোচন কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে ৰাজগড় গাঁও পঞ্চায়তৰ সভাপতি ক্ৰমে পাৰ্থপ্ৰতিম দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰিয় প্ৰসাদ গৌতম আৰু সমাজকৰ্মী লেখন গগৈয়ে। নিশা যদু গগৈৰ সন্ধিয়া যদু গগৈৰ পৰিচালনাত শিমলুগুৰিৰ মহিলা-যুৱতীসকলৰ দ্বাৰা 'বিপ্ৰ দামোদৰ আখ্যান, দন্ত বক্ৰৰ মুক্তি লাভ' ভাওনা প্ৰদৰ্শিত হয়।

# গেলেকীৰ মাদুৰি চাহ বাগিছাত চিকেল চেল এনিমিয়া ৰোগৰ বিনামূলীয়া পৰীক্ষণ শিৱিৰ সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ গেলেকী স্বাস্থ্য খণ্ডৰ অন্তৰ্গত মাদুৰী চাহ বাগিছাত যোৱা ১০ জানুৱাৰী, শনিবাৰে চিকেল চেল এনিমিয়া ৰোগৰ এক বিনামূলীয়া পৰীক্ষণ শিৱিৰ অনুষ্ঠিত হৈ যায়। এই শিৱিৰত চাহ বাগিছাখনৰ প্ৰায় দেৰ শতাধিক লোকৰ তেজৰ নমুনাৰ পৰীক্ষা কৰা হয়। শিৱিৰত শিৱসাগৰ জিলা প্ৰশাসনৰ সহকাৰী আয়ুক্ত চন্দনা জাহ্নবী (ভাৰতীয় প্ৰশাসনিক সেৱা), গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ খণ্ড মহকুমা স্বাস্থ্য বিষয়া ডাঃ প্ৰদ্যুৎ কোঁৱৰ, মুখ্য কাৰ্যালয়ৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ দিপামণি শইকীয়া, ৰোগ নিৰীক্ষণ কাৰ্যক্ৰমৰ তথ্য ব্যৱস্থাপক (Data Manager) হাফিজুৰ ৰহমান, ভৰ্মীমান চিকিৎসা সেৱা গোটৰ সমন্বয়ক ঋতিজ গগৈ, জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকন প্ৰমুখ্যে এম পি দল্লিও, আশাকৰ্মী, চাহ বাগিছাখনৰ প্ৰবন্ধ চিকিৎসক, ফাৰ্মাচিষ্ট, বাগিছাৰ কেইবাজনো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে, এই শিৱিৰত ডাঃ দিপামণি শইকীয়াই কাঁচি ৰক্তহীনতা ৰোগ সম্পৰ্কে বাগিছাৰ লোকসকলৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে আয়ডিনৰ অভাৱত হোৱা বিভিন্ন বিসংগতিৰ বিষয়ে এক চমু বক্তব্য আগবঢ়ায়। আনহাতে চিকেল চেল এনিমিয়া ৰোগৰ ন'দেল বিষয়া ডাঃ দিপামণি শইকীয়াই জানিবলৈ দিয়া মতে চাহ বাগিছাসমূহত চিকেল চেল এনিমিয়া ৰোগৰ পৰীক্ষণ হৈ আছে যদিও জিলাখনৰ প্ৰতিখন চাহ বাগিছাতে এনেধৰণৰ বিনামূলীয়া পৰীক্ষণ শিৱিৰৰ আয়োজন কৰা হৈছে। জিলা স্বাস্থ্য সমিতিৰ দ্বাৰা আয়োজিত এই বিনামূলীয়া পৰীক্ষণ শিৱিৰত গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ব্লক প্ৰগ্ৰেম মেনেজাৰ, মুকুল গগৈ, দুটা ভ্ৰাম্যমাণ চিকিৎসাসেৱা গোটৰ উপৰিও গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লেবৰেটৰী টেকনিচিয়ানেও সহায়-সহযোগ আগবঢ়ায়।

# বৰ্হমপুৰত মূৰ্চ্চনা নৃত্য মঞ্জৰী সঙ্গীত বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদযাপন

## নৃত্য-গীত আৰু অংকীয়া ভাওনা 'ৰাম বিজয়' প্ৰদৰ্শন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ মূৰ্চ্ছনা নৃত্য মঞ্জৰী সংগীত বিদ্যালয়ৰ ত্ৰয়োদশ সংখ্যক প্ৰতিষ্ঠা দিৱসটি যোৱা ১০ জানুৱাৰীত বঢ়মপুৰ শ্বহীদ ভৱন আৰু কেন্দ্ৰীয় পুথিভঁড়ালত উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নৃত্য-গীত আৰু নাটৰ আৱেলি শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি জনতাৰ শিল্পী ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে শিল্পী পেঞ্চনাৰ তথা নাট্য কৰ্মী কানু গোস্বামীয়ে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে শ্ৰীশ্ৰীলাইআটী সত্ৰৰ সত্ৰাধিকাৰ তথা লেখক যুগল চন্দ্ৰ দেৱ গোস্বামীয়ে। সংগীত বিদ্যালয়খনিৰ তত্বাবধায়ক জয়ন্ত শৰ্মা আৰু সমাজকৰ্মী যুৱক দিগন্ত শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত অনাতাঁৰ শিল্পী অনুপ হাজৰিকা, লোকবাদ্যৰ শিল্পী ৰাজু শইকীয়া আৰু সমাজকৰ্মী নলিনী বৰাক সম্বৰ্ধনা জনোৱা হয়। এটি সমৱেত সংগীতেৰে আৰম্ভ হোৱা সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গীত মাত, তবলা বাদন, গীতাৰ বাদন, সত্ৰীয়া নৃত্য আৰু আধুনিক নৃত্য প্ৰদৰ্শন কৰা হয়। সন্ধ্যা অনিত্য ভুঞা, শুভজিৎ শইকীয়া আৰু বিজয়লক্ষী গোস্বামীৰ পৰিচালনাত বিদ্যালয়খনৰ ছাত্ৰীসকলৰ দ্বাৰা অংকীয়া নাটক 'ৰাম বিজয়' মনস্থ কৰা হয়। অনুষ্ঠানত অনাতাঁৰ শিল্পী অনুপ হাজৰিকা, প্ৰণামী কলিতা আৰু মূৰ্চ্চনা গোস্বামীয়ে গীত পৰিৱেশন কৰে।

# ৫ আৰু ৬ মাঘত ঐতিহ্যমণ্ডিত বামুন্দী ৰাইজ গয়ৰহৰ সভা-গোন্ধ উৎসৱৰ প্ৰস্তুতি

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** হাজো ৰাজহ চক্ৰৰ পশ্চিম বংশৰ মৌজাৰ অন্তৰ্গত বামুন্দী এখন বৃহৎ জনবহুল গাঁও। প্ৰায় বাৰশ পৰিয়াল থকা ঐতিহ্যমণ্ডিত এই গাঁওখনৰ অন্যতম উৎসৱ সভা-গোন্ধ উৎসৱ প্ৰতি বছৰে ৫ আৰু ৬ মাঘত উদযাপন কৰি আহিছে। বিগত বৰ্ষৰ দৰে এইবেলিও অহা পাঁচ আৰু ছয় মাঘ (১৯ আৰু ২০ জানুৱাৰী)ত দুদিনীয়া কাৰ্যসূচীৰে উদযাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে। বামুন্দী শ্ৰীশ্ৰী গোপালেশ্বৰ গোসাঁই ঘৰ প্ৰাঙ্গণত অনুষ্ঠিতব্য সভা-গোন্ধৰ কাৰ্যসূচী অনুসৰি ৫ মাঘৰ পুৱা ন বজাত ধৰ্মধ্বজা উত্তোলন কৰিব। সন্ধিয়া গোসাঁই ঘৰত মালোৱা (সৰিয়হৰ চাকি) প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া ছয় বজাত ভক্তপ্ৰাণ ৰাইজক সিধা দিয়া পৰ্বৰ দ্বাৰ মুকলি, ৬ মাঘৰ পুৱা ন বজাৰ পৰা ভকত আৰু অঞ্চলটোৰ নিমন্ত্ৰিত অনুষ্ঠানক সিধা দিয়া পৰ্ব আৰম্ভ হ'ব। দিনৰ বাৰ বজাত হোমাদিকৃত্য, ৰাজহুৱা শান্তি প্ৰদান আৰু পুষ্পাঞ্জলি। সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি বিনম্ৰভাৱে কামনা কৰিছে সভাপতি ধৰ্মেশ্বৰ কলিতা আৰু সম্পাদক অপূৰ্ব কলিতাই।

# ভোগালী বিহু বৰ্তমান আৰু অতীত

■ **পংকজ শইকীয়া**, নগাঁও

**অ**সমীয়া বাপোতিসাহোন তিনিটি বিহুৰ ভিতৰত মাঘ বিহুটোৱেই হৈছে ভোগৰ বিহু। ভোগালী শব্দটি ভোগৰ পৰা আহিছে যাৰ অৰ্থ হৈছে 'ভোগৰ আনন্দ'। ভোগালী বিহু মানেই যে অসমীয়াৰ আনন্দ, উন্মাদ- উদ্দীপনা ।

ভোগালী বিহুত অতীতৰ পৰম্পৰা অনুসৰি কৃষকসকলে নিজৰ মূৰৰ ঘাম মাটিত পেলাই ৰাতিক দিন আৰু দিনক ৰাতি কৰি আঘোন মাহতেই নিজৰ পথাৰখনৰ পৰা সোনগুটি চপাই-বুটলি গোটেই বছৰটোৰ বাৱে নিজৰ ভড়ালত ভৰাই ভোগালীক আদৰিবলৈ সাজু হয়। তদুপৰি ভোগালী বিহুত গাঁৱৰ ৰাইজ একত্ৰিত হৈ সমূহীয়াকৈ মাছ ধৰা, উঠি অহা যুৱ চামে একলগ হৈ পথাৰৰ নৰা কাটি অস্থায়ীভাৱে ভেলাঘৰ সজা, সমূহীয়াকৈ যুৱতী-বোৱাৰী সকলে লাড়ু-পিঠা বনোৱা, ঠাই বিশেষে ভোগালী মেলা উদ্‌যাপন কৰা, হাঁহে-মাহে এসাঁজ ওচৰ-চুবুৰীয়া আৰু পৰিয়ালৰ লোকৰ সৈতে প্ৰীতি বনভোজ খোৱাকে আদি কৰি সমগ্ৰ ভোগালী বিহুৰ পৰম্পৰা অতীজৰে পৰা উলহ মালহেৰে অসমীয়া সমাজে পালন কৰি আহিছে। অসমৰ ভিন্ন প্ৰান্তৰ লগতে নগাঁৱতো অসমীয়া ৰাইজে বিহুৰ প্ৰস্তুতি হাতত লৈছে। ঠাই বিশেষে বিভিন্ন আৰ্হিত ভেলাঘৰ নিৰ্মাণ কাৰ্যৰো ইতিমধ্যে প্ৰায়েই সমাপ্ত হৈছে। নগাঁৱৰ ভিন্ন অঞ্চলৰ ভিতৰত নগাঁও চহৰৰ মাজমজিয়াৰ নেহেৰুবালি, ননৈ, বড়মপুৰ, কামপুৰ, দক্ষিণপাট, পুৰণিগুডাম, চামগুৰি, কলিয়াবৰ, ধিং, বটদ্ৰৱা, বেৱেজীয়া, জামুগুৰি, চমুৱাগাঁও, ৰূপহী, ৰণথলী, পোটনী আৰু কবৈয়নীত এইবাৰ ভোগালী বিহুৰ ভেলাঘৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব বুলি জানিব পৰা গৈছে। আনহাতে সচাঁ অৰ্থত যদি আমি বৰ্তমানৰ কথা কবলৈ যাওঁ তেনেহেন পূৰ্বৰ বিহু সমূহৰ তুলনাত অলপ ব্যতিক্ৰমীভাৱে উদ্‌যাপন কৰিবলৈ লৈছে অসমীয়াৰ বাপোতিসাহোন বিহু তিনিটি। উদাহৰণ স্বৰূপে ভোগালী বিহুৰ কথাই যদি আমি কবলৈ যাওঁ তেনেহেন এতিয়া বিশেষকৈ চহৰৰ বসবাস কৰা অসমীয়াই উৰুকাৰ নিশা প্ৰীতিৰ ভোজভাত, ৰাতিপুৱা শুই উঠি স্নান কৰি মেজি জ্বলাই মেজিত মৰা আলু, মাঘীয়া আলু, তিল, মাহ আৰু সৰিয়হ চতিয়াই অগ্নি দেৱতাক পূজা কৰি সেই মেজিৰ জুই তাপত শৰীৰ গৰম কৰা পৰম্পৰাও প্ৰায়েই নোহোৱা হৈছে। চুবুৰীটোৰ যুৱতী-বোৱাৰী সকলে একত্ৰিত হৈ বা নিজ গৃহতে ঢেঁকীত পিঠিগুৰী খুন্দি লাড়ু-পিঠা বনোৱাৰ পৰম্পৰাৰো নাইকিয়া হৈছে। বজাৰৰ উপলব্ধ লাড়ু- পিঠায়ে বিহু উদ্‌যাপন কৰাহে বিশেষকৈ দেখিবলৈ পোৱা গৈছে। এয়া জানো অসমীয়া সমাজৰ বাবে বিহু পৰম্পৰাটোক ধৰি ৰখাৰ ক্ষেত্ৰত চৰম ব্যৰ্থতা নহয় । অসমীয়া সমাজ জাগীবৰ হ'ল লগতে পূৰ্বপুৰুষসকলে উঠি অহা যুৱ চামটোক বিহুৰ প্ৰকৃত পৰম্পৰাৰ কথা বুজাই-শিকাই বিহুৰ পূৰ্বৰ নীতি-নিয়মসমূহ সুচাৰুভাৱে পালন কৰিবলৈ ক'ব লাগিব। তেতিয়াহে বিহুৰ অস্তিত্ব বাছি থাকিব। তদুপৰি ভোগালী বিহু বুলি কওঁতেই আৰু এটা পৰম্পৰা কথা মনলৈ আহে সেৱা হৈছে ম'হ যুঁজ, কুকুৰা যুঁজ, বুলবুলি যুঁজ নামনিৰ ফালে বুলবুলি আৰু কুকুৰাৰ যুঁজ বেছিকৈ প্ৰচলিত হৈছিল। আনহাতে মৰিগাঁও জিলাৰ আঁহতগুৰিত ঐতিহাসিক ম'হ যুজ অনুষ্ঠিত কৰাটো অসমৰ ৰাইজ জ্ঞাত। কিন্তু সেই যুঁজসমূহো বৰ্তমান অসমীয়া ৰাইজৰ অৱহেলা তথা চৰকাৰৰ হেঁচা প্ৰয়োগৰ ফলত প্ৰায়েই বিলুপ্তি হ'ব ধৰিছে। এয়া জানো অসমীয়া সমাজৰ বাবে বিহুৰ প্ৰকৃত পৰম্পৰা বিলুপ্ত ঘটাৰ অশনি সংকেত নহয়। সেয়ে আমি প্ৰত্যেক গৰাকী অসমীয়াই ভোগালীৰ পৰম্পৰা ৰক্ষা কৰিবৰ বাবে ঐক্যবদ্ধভাৱে একতাৰ এনাজৰী ডাল মজবুত কৰি অতীতৰ বিহুৰ পৰম্পৰা সমূহ ধৰি ৰাখিব লাগিব। তেতিয়াহে বিহুৰ বৰ্তমান আৰু অতীতৰ কোনো পাৰ্থক্য নাথাকিব।

**ম'বাইল ঃ** ৯৬১৩২-০০০৪৫

# নগাঁৱৰ ৰাঙলু আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদৰ গুৰুত্বপূৰ্ণ ভূমিকা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ইংৰাজী নৱবৰ্ষত সহকৰ্মী আৰক্ষীসকলক উৎসাহিত কৰাৰ বাবে ফুলাম গামোচাৰে শুভেচ্ছা প্ৰদান। সন্ধিয়া ৭ বজাত ৰাঙলু অঞ্চলৰ প্ৰায় ষাঠি গৰাকী শুভচিন্তক আৰক্ষী পহৰা চকীলৈ নিমন্ত্ৰণ জনায় অঞ্চলৰ পৰা নিচা জাতীয় দ্ৰব্য আৰু অসামাজিক সকলো কাৰ্যকলাপ ৰোধ কৰাৰ বাবে আলোচনা কৰা হয়। ভাৰপ্ৰাপ্ত বিষয়া ফিৰদৌছ আহমেদৰ লগত সংগ দি সকলো কৰ্মতে সহায় কৰা সহকৰ্মী আৰক্ষীসকলক এখনকৈ ফুলাম গামোচা প্ৰদান কৰি তেওঁলোকৰ মনোবল বৃদ্ধি কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা বুলি জনায়। ৰাঙলু হাইস্কুলৰ প্ৰধান শিক্ষক ৰুস্তম আলীয়ে কয় যে ৰাঙলু আৰক্ষী পহৰা চকীলৈ বিষয়া হৈ অহাৰ পাছতে অঞ্চলটোৰ সকলো সমাজ কৰ্মীৰ লগতে আলোচনা কৰি সজাগতা সভা পাতি আৰু বিভিন্ন সময়ত কাৰ্যব্যৱস্থা হাতত লোৱা বাবে ৰাঙলুত বহু পৰিমাণে গুটখা, বাল্যবিবাহ, চুৰি কাৰ্য আৰু বহু অসামাজিক কাৰ্যকলাপ ৰোধ হৈছে। কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি তথা সমাজ সেৱক ঘনকান্ত বৰাই ফিৰদৌছ আহমেদৰ কৰ্মদক্ষতা আৰু সমাজৰ ভাল কাম কৰাৰ বাবে প্ৰশংসা কৰে। সমাজখন নিকা কৰিবলৈ কৰা চেষ্টাক এচাম স্বাৰ্থান্বেষী লোকে কুৎসা ৰটনা কৰাও আৰম্ভ কৰা বুলি ঘনকান্ত বৰাই। কোনোৱে ক'ব বিচাৰে যে ফিৰদৌছ আহমেদৰ এইয়া এটা কৌশলহে মাথোঁ। তেওঁ ভাল কাম কৰা দেখুৱাই ৰাইজৰ আস্থাভাজন হৈ পিছ দুৱাৰেদি ধন ঘটাৰ হে কৌশল ৰচনা কৰে। কঠীয়াতলী সমবায় সমিতিৰ সভাপতি মানিক মজুমদাৰেও বিষয়াগৰাকীৰ কৰ্মনিষ্ঠাক প্ৰশংসা কৰে। উপস্থিত থকা সকলো ৰাইজে বিষয়াজনৰ কৰ্মক সমৰ্থন জনাই উৎসাহিত কৰে। নিশা প্ৰচণ্ড শীতকো নেওচি ৰাঙলুৰ কৈল্যাণকামী সকলে ৰাঙলু অঞ্চলক নিচামুক্ত, বাল্যবিবাহ, চোৰ-ডকাইত আৰু প্ৰৱঞ্চকৰ পৰা মুক্ত কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। শীতৰ মাজতে অঞ্চলৰ এজন সুকণ্ঠী গায়ক অধ্যাপক হবিবুৰ ৰহমানে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ দুটি মনপৰশা গীত পৰিৱেশন কৰি সকলোৰে মনৰ পৰা শীত আঁতৰায়। সমাজ সেৱক খাইৰুদ্দিন আহমেদ প্ৰমুখ্যে উপস্থিত সমাজ সেৱকসকলৰ লগতে আৰক্ষী পহৰা চকীৰ সকলো আৰক্ষী বিষয়া গৰাকীৰ প্ৰশংসানীয় ভূমিকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। আলোচনাৰ অন্তত নতুন বৰ্ষৰ শুভকামনাৰ আশাৰে সকলোকে মাছে-মাংসৰে এটি প্ৰীতি ভোজৰ আয়োজন কৰে আৰু সকলোৱে আহাৰ গ্ৰহণ কৰিহে নিশা ঘৰমুৱা হয়।

# গ্ৰাম বিকাশ পৰিষদৰ মুখ্য সঞ্চালক ছিৰাজউদ্দিন আহমেদৰ উদ্যোগত ৰাঙলুত পুনৰ এটা পেট্ৰ'ল পাম্প মুকলি

## ফিটা কাটি উদ্বোধন কৰে সমাজ সেৱক ঘনকান্ত বৰাই

**বিশেষ সংবাদদাতা, নগাঁও ঃ** পুৱা ১১ বজাত ৰাঙলু সূতাৰ গাঁৱত ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথত নগাঁৱৰ পৰা ডবকা অভিমুখী পথৰ দাঁতিত নতুনকৈ হিন্দুস্তান পেট্ৰলিয়াম কৰ্পৰেচন লিমিটেডৰ দ্বাৰা সূতাৰ গাঁও 'ৱাফা এণ্টাৰপ্ৰাইজ' নামাকৰণৰে এটা নতুন পেট্ৰ'ল পাম্প মুকলি কৰে। সমাজ সেৱাৰ ক্ষেত্ৰত পাঁচটাকৈ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত গ্ৰাম বিকাশ পৰিষদৰ মুখ্য সঞ্চালক ছিৰাজউদ্দিন আহমেদৰ উদ্যোগত ৰাইজৰ সুবিধাৰ্থে পেট্ৰ'ল পাম্পটোৰ ফিটা কাটি শুভ উদ্বোধন কৰে কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি তথা সমাজ সেৱক ঘনকান্ত বৰাই। পেট্ৰ'ল ডিজেলৰ গ্ৰাহকসকলৰ মাজত সজাগতা অনাৰ ক্ষেত্ৰত ছিৰাজউদ্দিন আহমেদে পেট্ৰক্সলত পানী মিহলোৱা, তেল কমকৈ দিয়া সমস্যাৰ বিষয়ে গ্ৰাহকসকল সদায় সজাগ হ'বৰ বাবে আহ্বান জনায়। তেলত পানী মিহলোৱা কথাটো খণ্ডণ কৰি কয় যে তেলতকৈ পানীৰ ওজন বেছি কাৰণে পানী তলত থাকে গতিকে তলৰ পৰা পানী পাইপেদি বাহনৰ টেংকিলৈ আহিব নোৱাৰে কিন্তু কেতিয়াবা গ্ৰহকৰ অসচেতনতাৰ ফলত কৰ্মচাৰীয়ে তেল কম পৰিমানে দিয়াটো অস্বীকাৰ কৰিব নোৱাৰি। মোৰ পাম্পত কেতিয়াও এনে ঘটনা সংঘটিত হ'ব নোৱাৰে মই সৎ ব্যৱসায়ৰ দ্বাৰা অৰ্থ উপাৰ্জন কৰি ৰাইজৰ সেৱা আগবঢ়াই আহিছোঁ। ঘনকান্ত বৰাই কয় যে ছিৰাজউদ্দিন আহমেদ এনে এজন আদৰ্শবান ব্যক্তি যি নিষ্ঠা সহকাৰে সমাজৰ সেৱা আগবঢ়ায় যোৱাৰ বাবে পাঁচ বাৰকৈ ৰাষ্ট্ৰপতি বঁটা লাভ কৰিবলৈ সক্ষম হৈছে তেনে এজন ব্যক্তিয়ে কুকৰ্মৰ আশ্ৰয় নলয় বুলি সকলোৰে বিশ্বাস আছে। ছিৰাজউদ্দিনে কয় যে আমাৰ বাবে যি কমিচন ধাৰ্য কৰা হৈছে সেয়ে মোৰ বাবে যথেষ্ট। অৱসৰপ্ৰাপ্ত শিক্ষক আবুল হাসিমে পেট্ৰ'ল পাম্পটোৰ পৰা ভাল তেল সংগ্ৰহ কৰিবলৈ ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথটো এতিয়া ইপাৰ সিপাৰ হোৱাৰ প্ৰয়োজন নাই বাবে দুৰ্ঘটনাৰ সংখ্যাও কম হ'ব। অধিবক্তা হুমায়ুন কবীৰৰ মতে এতিয়া ৰাঙলুৰ দুয়োপাৰে সঠিক আৰু ভেজাল বিহীন তেল পোৱাৰ সুবিধা লাভ কৰিব গ্ৰাহকে। অধিবক্তা তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ নুৰুল আমিনে কয় ছিৰাজউদ্দন আহমেদে শুদ্ধ আৰু সৎ পথেৰে ব্যৱসায় কৰি উন্নতি কৰাৰ কথা সৰ্বজন বিদিত সেয়ে তেওঁ ধন্যবাদৰ পাত্ৰ। গ্ৰাম বিকাশ পৰিষদৰ দ্বাৰা পৰিচালিত এফ জি আইৰ অধ্যক্ষ মুজাফৰ হুছেইন কবীৰেও যিকোনো কামত নিয়ত ৰক্ষা কৰি সাফল্য অৰ্জন কৰিব পাৰে। তাৰেই উদাহৰণ হ'ল ছিৰাজউদ্দিন আহমেদ। সমাজ কৰ্মী কৃষ্ণ দাসেও ছিৰাজউদ্দিন আহমেদৰ সততা বিষয়ে ভাষণ প্ৰদান কৰে। পাম্প মুকলি কৰা মুহূৰ্তত এখন চাৰিচকীয়া বাহনত বিনামূলীয়াকৈ পাঁচশ টকাৰ পেট্ৰল ভৰাই দি বিক্ৰীৰ শুভাৰম্ভণি কৰে। ১০ বজাৰ পৰা উপস্থিত থকা অতিথিসকলক পুৰী ভাজি আৰু মিঠাইৰে আপ্যায়িত কৰি থকা পৰিলক্ষিত হয়।

# শিৱসাগৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনত সাংবাদিক নুপূৰ শইকীয়ালৈ সংবাদজ্যোতি বঁটা প্ৰদান




**চন্দন শৰ্মা, তেজপুৰ ঃ** বিগত ২০২১ বৰ্ষৰ পৰা সংবাদ মাধ্যমৰ যাত্ৰা আৰম্ভ কৰি শিৱসাগৰ জিলাৰ এগৰাকী যুৱ সাংবাদিকৰ বৃহৎ সাফল্য। অতি কম বয়সৰ পৰাই বহু কষ্ট, ধৈৰ্য্য-ত্যাগ আৰু সমালোচনাকো নেওচি স্নাতক তৃতীয় যান্মাসিকৰ পৰাই সংবাদ জগতৰ লগত জড়িত হৈ ৰাইজৰ মাজত বিশ্বাস যোগাবলৈ সক্ষম হোৱা শিৱসাগৰ জিলাৰ ফুকন নগৰ ১০ নং ৱাৰ্ডৰ নিৱাসী জিন্টু শইকীয়া আৰু লিলি শইকীয়াৰ সু-কন্যা নুপূৰ শইকীয়া বৰ্তমান মহাজাতি টুৱেন্টি ফ'ৰ লাইভ ডিজিটেল চেনেলৰ শিৱসাগৰৰ যুৱ সাংবাদিক হিচাপে কৰ্মৰত। এগৰাকী যুৱতী হৈও নিজৰ ঘৰৰ কামকো নেওচি সংবাদ যুগুতোৱাৰ দৰে এটি কঠিন কামক নিজৰ বৃত্তি হিচাপে বাছি লৈ প্ৰতিটো মুহূৰ্তত ৰাইজৰ মাজত থাকি যোগাত্মক সংবাদৰ বাৰ্তা কঢ়িয়াবলৈ সক্ষম হোৱা শিৱসাগৰৰ যুৱ সাংবাদিক নুপূৰ শইকীয়াই বিগত ২০২৫ বৰ্ষত ৰংপুৰ বাৰ্তাৰ তৰফৰ পৰা শিৱসাগৰৰ বৰ্ডিং খেলপথাৰৰ প্ৰাঙ্গণত আয়োজিত এক অনুষ্ঠানত যুৱ সাংবাদিকৰ বঁটা, মহাজাতি টুৱেন্টি ফ'ৰ লাইভ ডিজিটেল মিডিয়াৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত শোণিতপুৰ জিলাৰ তেজপুৰত ২০২৫ বৰ্ষৰ যুৱ সাংবাদিকৰ বঁটা আৰু পৰৱৰ্তি সময়ত শিৱসাগৰ জিলাৰ ডিমৌৰ জ্যোতি-বিষ্ণু প্ৰকল্পত আয়োজিত কৰা শিৱসাগৰ জিলা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনত ২০২৫ বৰ্ষৰ সংবাদজ্যোতি বঁটাৰে সন্মানিত হ'বলৈ সক্ষম হয়। যুৱ সাংবাদগৰাকীৰ এনে বৃহৎ সফলতাত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে শৈক্ষিক মহলে ভূয়সী প্ৰশংসা কৰাৰ উপৰিও দীৰ্ঘায়ু কামনা কৰে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

# উদ্যমিতা আঁচনি অসমৰ মহিলাসকললৈ আগবঢ়োৱা

বিজেপি দলে অৱতীৰ্ণ হ'ব আশা নিশ্চিত ৰূপত চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। এই চেক বিতৰণৰ বিশাল জনসভাত উপস্থিত থাকে মন্ত্ৰী চন্দ্ৰমোহনপাটোৱাৰী, হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, জিলা পৰিষদৰ অধ্যক্ষ ভাস্কৰ জ্যোতি কলিতা, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু দিপক ভূঞা, প্ৰকাশ চন্দ্ৰ দাস, ডাঃ বেদব্ৰত পাঠকৰ লগতে দলৰ বিষয়ববীয়াসকল। উল্লেখ্য যে, দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত হোৱা বিশাল চেক বিতৰণ সভাত উপস্থিত থকা মহিলাসকলৰ মাজৰে বহু কেইগৰাকী মহিলা শাৰীৰিকভাৱে অসুস্থ হৈ চিকিৎসাধীন হ'বলগীয়া হয়। কিয়নো চেক বিতৰণ সভাখনলৈ মহিলাসকলক পুৱা ৭ বজাতেই নিমন্ত্ৰণ জনোৱা হৈছিল যদিও অতি ব্যস্ততাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা প্ৰায় ৭ ঘণ্টা পলমকৈ দিনৰ ১.৫০ বজাত হেলিকপ্টাৰ যোগে সভাত উপস্থিত হয়।




Janasanyog RO no  3984/25/16-January-26

# কৃপণৰ শুধৰণি

■ **শতাব্দী শৰ্মা**, আমোলাপট্টি, নগাঁও

**ধ**নীৰাম নামে এজন কৃপণ আছিল। তেওঁ টকা এটাও খৰছ নকৰে। তেওঁৰ কেইবাবছৰ পুৰণি এযোৰ চেণ্ডেল আছে, চেণ্ডেলযোৰ এৰাই ছিৰাল ফাঁট দিছে। তেওঁ তেনেকৈয়ে পিন্ধে। ল'ৰা-ছোৱালীকেইটাক কিতাপ এখনো কিনি আনি নিদিয়ে, সিহঁতে লোকৰ পৰা খুজি আনি পঢ়ে। ঘৈণীয়েকে প্ৰায়ে গালি পাৰে, এনে কৃপণৰ লগত সংসাৰ কৰি তেওঁৰ জীৱন অথলে গ'ল বুলি দুখো কৰে। মানুহজন অটল। কৃপণ ধনীৰামে এটা বস্তু কিনিলে, টকাৰ হিচাপত ত্ৰুটি নকৰে। এবাৰ ধনীৰামৰ মাকৰ টান জ্বৰ, ডাক্তৰ মাতিব লাগে। দৰৱ কিনিব লাগিব, টকা খৰছ হ'ব। তেওঁ সেই কথাটো ভাবিয়েই ঘৰতে বনদৰৱ খুৱাই, ঠাণ্ডা পানীৰ পটি কপালত দি দি মাকক শুশ্ৰূষা কৰিলে। মাকৰ এনে অৱস্থাত খবৰ ল'বলৈ অহা মানুহে অনা কল, কমলা খুৱাবলৈ তেওঁ টান নাপাইছিল। কিন্তু নিজৰ টকা খৰছ কৰি মাকক চিকিৎসা কৰিবলৈহে তেওঁৰ মন নাই। ঘৈণীয়েকে বৰ বেয়াকৈ গালি পাৰিলে। সাতদিন জ্বৰত ভুগি মাক ঢুকাল। গাঁৱৰ মানুহে গম পাই তেওঁক নানা ককৰ্থনা কৰিলে। মাকৰ সৎকাৰ কৰিলে, অকলে অকলে। শ্ৰাদ্ধ-ভোজত গাঁৱৰ এটা মানুহ নামাতিলে। কৃপণে টকাৰ চিন্তা আগত কৰে, বাকীবোৰ পিছত ভাবে। ধনীৰাম কামৰ বাবে দিনটোলৈ টাউনলৈ ওলাই গ'লে, গাঁৱৰ মানুহবোৰ ঘৈণীয়েক সেউতীৰ লগত কথা পাতিবলৈ ঘৰলৈ মাজে-সময়ে আহে। বিয়াৰ পিছৰ পৰা এই মানুহগৰাকীৰ ধৈৰ্যক মানি গৈছে ৰাইজে। মানুহগৰাকী যেন কেতিয়াও হালি নপৰা বটবৃক্ষ। তেওঁ এইবোৰৰ প্ৰতিবাদ কৰি যদি ঘৰলৈ যোৱাৰ কথা কয় বা গুচি যায় ঘৰলৈ, তেন্তে ধনীৰামে আপত্তি নকৰে। এনেও মাজে মাজে খৰছৰ পৰিমাণ বঢ়াৰ কথা তেওঁলোকক শুনাই গালি পাৰি থাকে। হোমৰ গুৰিত যিজন মানুহৰ লগত থাকিম বুলি প্ৰতিজ্ঞাবদ্ধ হ'ল, তেওঁক এৰি সেউতী যাব ক'ত। কিন্তু শাহুৱেকৰ মৃত্যুৱে তেওঁৰ মনলৈ ভয় আনিছে, কিজানি এনেকৈ চিকিৎসাৰ অভাৱত তেওঁৰো এদিন মৰে।

গাঁৱৰ মানুহে ধনীৰামক বিয়া-সবাহলৈ নামাতে, সেউতীক নিমন্ত্ৰণ কৰে। কিন্তু লাজ-সংকোচে আৱৰি ধৰে তেতিয়াহে, যেতিয়া তেওঁ উপহাৰ নোহোৱাকৈ যাবলগীয়াত পৰে। কৃপণ ধনীৰামৰ হাতৰ পৰা টকা নসৰকে। এইবোৰকে ভাবি - চিন্তি তেওঁ নিজাকৈ উপাৰ্জনৰ কথা ভাবিবলৈ ধৰিলে। তাঁতশাল আছে, ঢেঁকী আছে, চিলাই মেচিনটোও যৌতুকত অনা। গতিকে কিবা এটা উপায় উলিয়াব লাগিব। ধনীৰামক গম নিদিয়াকৈ সেউতীয়ে কামবোৰ কৰাৰ কথা ভাবিলে। তেখেতে অন্ততঃ ল'ৰা-ছোৱালীকেইটাক মাছ-মঙহ অকণ যোগান ধৰিব পাৰিব। বেচেৰাহঁতে দেউতাকৰ মুখলৈ হাতলৈ চাইয়েই দিন কটায়। কিন্তু দেউতাকে নিজৰ কৃপনালি স্বভাৱটো নেৰে। মানুহে আগতে ভাবিছিল, তেওঁলোকৰ অভাৱ। কিন্তু আচলতে ধনীৰামে টাউনত কাম কৰি বহুত টকা পায়। এদিন তেওঁ ঘৰৰ অলপ আম আচাৰ কৰিবলৈ বুলি শুকাবলৈ দিলে। ইপিনে ধনীৰাম ক'ৰবাৰ পৰা আহি চোতালত বহাৰ সময়তে হঠাৎ শুকান আমত চকু গ'ল। সোপাকে গোটাই লৈ পলিথিনত ভৰাই গুদামত থৈ আহিল। সেউতী ওচৰৰে মানুহ এঘৰলৈ আচাৰ বনোৱা মচলাৰ পেকেট বিচাৰি গৈছিল। আহি পাই ৰ'দত আমখিনি নেদেখি চিঞৰ - বাখৰ লগালে। তেওঁৰ চিঞৰ বাখৰ শুনি প্ৰথমে মনে মনে থকা ধনীৰামে লাহেকৈ মাত লগাই ক'লে যে, সেই শুকুৱাই মেলি আচাৰ কৰি তেল-মচলাৰ খৰছ হোৱাতকৈ পেলাই দিয়াই ভাল বুলি তেওঁ ভাবিলে। এই কথাই কথা নহয়। সেউতীয়ে মুখেৰে একো নামাতিলে। সন্ধিয়া পৰলৈ পদূলিমুখত দুখন গাড়ী ৰ'লহি। এখন মিনি ট্ৰাক, দুখন ৰিক্সা। সেউতী গুচি গ'ল, সন্তান দুটি বুকুত বান্ধি। ধনীৰামে ৰখোৱাৰ চেষ্টা নকৰিলে। কোনোদিনে তেওঁ খবৰো নকৰিলে পত্নী তথা সন্তানৰ। তেওঁ হেনো অকলেই সুখী হৈ থাকিব। আগতকৈ ক্ষীণ আৰু শেঁতা হৈ যোৱা ধনীৰাম এতিয়া খোৱা-বোৱাতো কম খৰছী। একেবাৰে খৰছ নকৰাকৈ থাকিব পাৰিলেই তেওঁ ভাল বুলি ভাবে।

ইমানৰ পিছতো তেওঁ নিজৰ জেদ এৰা নাছিল। তেওঁৰ ওচৰৰ পৰা পৰিয়ালটো আঁতৰি যোৱা দহবছৰ হৈ গ'ল। তেওঁ কোনোদিনে শহুৰেকৰ পদূলিত ভৰি দিবলৈ নগ'ল। কিন্তু এতিয়া তেওঁৰ লাহে লাহে অনুশোচনা হ'বলৈ ধৰিছে। কিয়নো এটা সময়ত তেওঁৰ যিখিনি মনোবল আছিল, সেইখিনি সময়ৰ লগে লগে কমিবলৈ ধৰিলে। হতাশাৰ কলীয়া ডাৱৰে তেওঁৰ মনৰ আকাশ ছানি ধৰি তেওঁক কোঙা কৰি পেলাইছে লাহে লাহে। তেওঁ প্ৰায়ে ভাবে, সেইদিনা তেওঁ সেউতীক কিয় নৰখালে। লাহে লাহে হাপানী বেমাৰটোৱে উক দিছে তেওঁৰ। অকলশৰীয়া জীৱনে আমুৱাইছে। কিমান যে উপাৰ্জন কৰিলে গোটেই জীৱন। সেইবোৰ কিহৰ বাবে? তেওঁ প্ৰায়ে চিন্তা কৰে। তেওঁ ভাবে, ইমান অভাৱ হ'লনে বুজাবুজিৰ। সেউতীৰো ভুল নাই। বিয়া হোৱাৰ পৰা তেওঁ বহুত সহিলে। লাহে লাহে তেওঁৰ মনলৈ পৰিৱৰ্তন আহিল। নিজাকৈ কিবা এটা আনৰ বাবে কৰাৰ কথা ভাবিলে। তেওঁ ঘটা টকাৰ পৰা যৎসামান্য অনুদান দুখীয়া মানুহক তথা অনাথ আশ্ৰমত দিয়াৰ কথা মনস্থ কৰিলে। তেওঁৰ ভাল কামৰ নিদৰ্শনৰ খ্যাতি কম দিনতে বৈ বৈ গ'ল মানুহৰ মাজত। টিভি, ৰেডিঅ', ইউটিউব আদি সকলোতে তেওঁৰেই ইণ্টাৰভিউ। সেউতীৰ ল'ৰাটোৱে কাম কৰা এন. জি. অ'টোতে এদিন ধনীৰামে মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ পাইছিল। বানপানীত ভাৰাক্ৰান্ত হোৱা বহু মানুহক সেই এন. জি. অ'টোৱে সহায় কৰি আহিছে। ধনীৰামেও এই ক্ষেত্ৰত কিছু অৱদান আগবঢ়াইছে আগতে। সেই অনুষ্ঠানটোতে তেওঁ নিজৰ ল'ৰাটোক দেখি চিনি পাইছিল। মঞ্চত ধনীৰামে আসন গ্ৰহণ কৰিলে, তেওঁক সম্বৰ্ধনা জনালে, তেওঁৰ কৰ্মক সকলোৱে প্ৰসংগ হিচাপে লৈ বাখ্যা কৰিলে। পুতেকে তেওঁক দেখি বৰ গহীনকৈ চাইছিল, তাৰ চকু-মুখত স্পষ্ট উগ্ৰতা। দেউতাকৰ দৰেই জেদী সি। মাকৰ ইমান বছৰৰ টোপনি নোহোৱা নিশাবোৰ, চকুলোৰে বাট নেদেখা হোৱা সময়বোৰ সি কেনেকৈ পাহৰে। দেউতাকক সি ঘৃণাৰ চকুৰে চায়। এই ঘৃণা অতবছৰৰ পুঞ্জীভূত ক্ষোভ। মাক এতিয়া আৰ্থিকভাৱে স্বচ্ছল। দেউতাকৰ ওচৰৰ পৰা অহাৰ পিছত আইতাকৰ ঘৰত সিহঁত সুখী। মোমায়েক-মামীয়েকৰ মৰম, আইতাকৰ আদৰখিনিৰে সিহঁতে আগবাঢ়ি গৈছে। সি এইবোৰ ভাবি ৰৈ থকাৰ সময়তে হঠাৎ তাৰ কান্ধত এখন হাত দেখি সি অলপ আঁতৰি হৈ ঘূৰি চালে, দেউতাক ৰৈ আছে। সি তেওঁৰ উপস্থিতিক আওকাণ কৰি যাবলৈ লওঁতে তেওঁ খুব সুন্দৰকৈ মাত দিলে, 'ধন, ভাল নে তোৰ? ভনীয়েৰ আৰু মাৰৰ কেনে? ঘৰলৈ মুখেই নকৰা হ'লি যে।' দেউতাকৰ মিঠা মাতেও তাৰ মন গলাব নোৱাৰিলে। তথাপি সি প্ৰত্যুত্তৰ দিয়াৰ মানসেৰে সহজকৈ ক'লে, 'মহাশয়, আপুনি আমাৰ খবৰ ইমান বছৰ কিয় লোৱা নাছিল? আপুনি জেদী, মই স্বাভিমানী। আমাৰ জীৱনৰ আগছোৱা এক জটিল পাকচক্ৰত সোমাই পৰিছিল। আপুনি ইমান টকা থকাৰ পিছতো আমাক খৰছ কৰিবলৈ এটকা দিবলৈ বিচৰা নাছিল । কিন্তু এতিয়া আমাৰ মা আৰ্থিকভাৱে স্বচ্ছল। আপুনি আমাৰ মাজত নোসোমায় যেন।' সি দেউতাকৰ উত্তৰলৈ অপেক্ষা নকৰাকৈ গুচি গ'ল। তেওঁ বুজে, সকলোকে তেওঁ বহুত কষ্ট দিছে।

ঘৰত সি মাকক সকলো ক'লে। মাকে তাক বিশেষ একো নক'লে যদিও পেটে পেটে ধনীৰামক লগ পোৱাৰ ইচ্ছা এটা পুহি ৰাখিলে। ছেগ চাই পুতেকক তেওঁৰ লগত যোগাযোগ কৰাই দিবলৈ ক'লে। সি অটল, কেতিয়াও তেওঁৰ কথা চিন্তা সি নকৰে। মাকে তাক খাটনি ধৰি থাকে, মাথোঁ এটা ফোনকলেই সলাই দিব পাৰে সকলো। তেওঁ সঁচাই নিজৰ দোষ বুজি পাইছে। গতিকে ক্ষমা কৰাত আপত্তি কি। বহুদিন পিছত পুতেকে সৈমান হৈ এন. জি. অ'টোৰ ঘনিষ্ঠ দুলাল দদাইদেউক খবৰ কৰিলে। তেওঁৰ পৰাই দেউতাকৰ যোগাযোগৰ নম্বৰ পালে। সি মাকক দিলে, নিজে যোগাযোগ নকৰে। সেউতীয়ে ফোন কৰি সহজভাৱে নিজৰখিনি ক'লে আৰু ধনীৰামেও শুনি নিজৰ ভুল স্বীকাৰ কৰিলে। মানুহগৰাকীয়ে গোটেই জীৱন কম কষ্ট পালেনে। সেউতীৰ কথাত যুক্তি আছে। ধনীৰামে পিছদিনা সেউতীক মন্দিৰত লগ কৰাৰ কথা ক'লে। মন্দিৰত ধনীৰামে সকলোকে ক্ষমা খুজিলে। গোটেই পৰিয়ালটোৰ মাজত সুখৰ বন্যা বৈ গ'ল। ধনীৰামে নিজৰ কৃপণৰ দৰে স্বভাৱটো এৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে পৰিয়াল তথা ভগৱানক সাক্ষী কৰি প্ৰতিজ্ঞাবদ্ধ হ'ল। অৱশেষত আগৰ দিনবোৰতকৈও তেওঁলোকে সুখী জীৱন কটাবলৈ ধৰিলে।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

## নগাঁৱত ৰাজধানী থিয়েটাৰৰ প্ৰেক্ষাগৃহত নাই দৰ্শক

### তৃতীয় নিশা নাট প্ৰদৰ্শন বাতিল

**জয়ন্ত মুদৈ, নগাঁও ঃ** বৰ্তমান সময়ত একাংশ ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটকৰ মানদণ্ড আৰু অত্যাধুনিক কাৰুকাৰ্যৰে নাটকৰ নামত একপ্ৰকাৰে চাৰ্কাচ দেখুৱাই অহা বুলি সঘনে অভিযোগ উত্থাপন হৈ অহাৰ সময়তে মধ্য অসমৰ নগাঁও জিলাত এখন আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰে দৰ্শকৰ অভাবত আহ্বায়ক সমিতিয়ে চুক্তিৰ ধন আদায় দিব নোৱাৰাত দৰ্শনী বাতিল কৰিবলগীয়া হোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ খবৰ মতে, জিলাখনৰ পশ্চিম প্ৰান্তৰ বেবেজীয়াৰ নিচেই সমীপৰ শেতালী এছ কে বি এলত যোৱা ৯ জানুৱাৰীৰ পৰা তিনি নিশাৰ বাবে আমন্ত্ৰণ কৰি আনিছিল অসমৰ অন্যতম আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল ৰাজধানী থিয়েটাৰক। কিন্তু অসমৰ ভ্ৰাম্যমাণ নাট্য জগতত মাত্ৰ এবছৰৰ পূৰ্বে আত্মপ্ৰকাশ ঘটা এই থিয়েটাৰখনৰ তৃতীয় নিশাৰ নাট প্ৰদৰ্শন একমাত্ৰ দৰ্শকৰ অভাৱত বাতিল কৰিবলগীয়া হয়। আশ্চৰ্যজনক কথাটো হ'ল বিশিষ্ট অভিনেতা ৰাগ ঐনিতম, প্ৰাঞ্জনা দত্ত, ঋষভ শৰ্মা, বেহাৰবাৰী খ্যাত মনি, কৌতুক অভিনেতা চাজু আহমেদ আদিৰ অভিনয়ো চাবলৈ নাহিল দৰ্শক। আচলতে, দুটা নিশাত পৰ্যাপ্ত দৰ্শক নোহোৱাৰ বাবে আহ্বায়ক সমিতিয়ে চুক্তিৰ ধন আদায় দিব নোৱাৰাত থিয়েটাৰখনৰ প্ৰযোজকে তৃতীয় নিশাৰ নাট প্ৰদৰ্শন বাতিল কৰা বুলি সম্পাদকৰ জৰিয়তে সকলো কলা-কুশলীক জানিবলৈ দি তৎকালে পেণ্ডেল ভাগিবলৈ দিয়ে। পিছত এই খবৰ সৰ্বত্ৰে প্ৰচাৰ হোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এতিয়া কথা হৈছে এখন আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ এনে দুৰৱস্থাই শংকিত কৰি তুলিছে সাংস্কৃতিক মহলক।

## ভ্ৰাম্যমাণত নতুন মুখ লুকু কোঁৱৰ

■ **ধৃতিৰাজ দাস**



**ভ্ৰা**ম্যমাণত নতুন অভিনেতা-অভিনেত্ৰীৰ আগমণ একো নতুন কথা নহয়। প্ৰতিবছৰে ভ্ৰাম্যমাণ থিয়েটাৰত একো-একোজন নতুন অভিনেতা-অভিনেত্ৰীৰ আগমণ ঘটাতো আমি প্ৰায়েই দেখিবলৈ পাই আহিছো। এয়া সচাঁকৈয়ে ভ্ৰাম্যমাণৰ বাবে এক শুভ-বাৰ্তা। চলিত (২০২৫-২৬) নাট্যবৰ্ষতো ৰাজমুকুট থিয়েটাৰৰ মঞ্চত এজন নৱাগত অভিনেতাই নিজৰ অভিনয় প্ৰতিভাৰে অভিনয় কৰি নাট্যপ্ৰেমী ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেখেত হ'ল আমাৰ সকলোৰে পৰিচিত লুকু কোঁৱৰ। শিৱসাগৰ জিলাৰ নিতাই পুখুৰী নাওঁজানৰ প্ৰয়াতঃ ভূপেন কোঁৱৰ আৰু শ্ৰীমতী মিনা কোৱঁৰৰ সুপুত্ৰ লুকু কোঁৱৰে কোনো ধৰণৰ অভিনয়ৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে নিজ গাঁৱত মাত্ৰ দুই এখন ভাওনাত অভিনয় কৰিয়েই অভিনয় জীৱনৰ পাতনি মেলিছিল। ক'বলৈ গ'লে এজন ভাল অভিনেতা হোৱাৰ লগতে অভিনেতা লুকু অসমৰ এজন চিনাকি বিহুৱা হয়। সুদীৰ্ঘ ২০ বছৰ কাল অসমৰ জাতীয় উৎসৱ 'বিহু'ৰ সৈতে জড়িত হৈ শদিয়াৰ পৰা ধুবুৰীলৈকে বহুকেইখন বিহু প্ৰতিযোগিতাত ভাগ লৈ বহুবাৰ 'শ্ৰেষ্ঠ পেপুৱা'ৰ বঁটা আজুৰি আনিবলৈও সক্ষম হোৱাৰ উপৰিও অসমৰ উপৰি ভাৰতৰো বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা বিহু প্ৰতিযোগিতাত ভাগ লৈ দৰ্শক ৰাইজৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে। অভিনেতা লুকু বিহুৰ ক্ষেত্ৰখনৰ লগত যেনেকৈ নিবিড়ভাৱে জড়িত ঠিক তেনেদৰে ভাওনাৰ লগতো জড়িত হৈ লুকুৱে বহুকেইখন ভাওনাত অভিনয় কৰাৰ উপৰিও অসমৰ বাহিৰতো গুৰু দুজনাৰ ভাওনা তথা ভিন্ন সংস্কৃতি প্ৰদৰ্শন কৰি বহুতো পুৰস্কাৰ বুটলি আনিবলৈও সক্ষম হৈছিল। ২০২৫-২৬ নাট্যবৰ্ষত অভিনেতা লুকু কোঁৱৰে পোন প্ৰথমবাৰৰ বাবে ৰাজমুকুট থিয়েটাৰৰ যোগেদি ভ্ৰাম্যমাণত পদাৰ্পণ কৰিয়েই ৰাজমুকুট থিয়েটাৰে মঞ্চস্থ কৰা তিনিওখন নাটকত ৩টা ভিন্ন চৰিত্ৰত অভিনয় কৰি নাট্যপ্ৰেমী ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। চলিত (২০২৫-২৬) নাট্যবৰ্ষত ৰাজমুকুট থিয়েটাৰে নিবেদন কৰা জনপ্ৰিয় নাট্যকাৰ পৰিচালক অভিজিত ভট্টাচাৰ্য দেৱৰ ৰচিত নাটক মহাভাৰতৰ শেষ অধ্যায়ঃ তেজেৰে লিখা এখন মহাকাব্য নাটকখনত পাৰ্টিৰ সভাপতি মন্মথ হাজৰিকা নামৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰাৰ বিপৰীতে জনপ্ৰিয় নাট্যকাৰ, চিত্ৰনাট্যকাৰ পল্লৱ পৱনৰ মৰমসূঁতিৰ মহলদাৰ নাটকখনত বিপ্লৱ নামৰ এটি চৰিত্ৰত আৰু ৰাজমুকুট থিয়েটাৰৰ অন্য এখনি নাট অভিজিত ভট্টাচাৰ্যৰে ৰচিত মাজৰাতিৰ ৰজা নাটকখনত এজন আৰক্ষী বিষয়াৰ চৰিত্ৰত অভিনয় কৰি নাট্যপ্ৰেমী ৰাইজৰ প্ৰশংসাৰ পাত্ৰ হ'বলৈ সক্ষম হৈছে। এইজনা প্ৰতিভাসম্পন্ন উদীয়মান যুৱ অভিনেতা লুকু কোঁৱৰ আগন্তুক (২০২৬-২৭) নাট্যবৰ্ষত থিয়েটাৰ সূৰ্য্যৰ মঞ্চত অভিনয় কৰিবলৈ চুক্তিবদ্ধ হৈছে। এই ছেগতে লুকু কোঁৱৰৰ উজ্বল ভৱিষ্যত কামনা কৰিছোঁ লগতে তেওঁৰ এই ভ্ৰাম্যমাণৰ যাত্ৰা চিৰদিন অব্যাহত থাকক তাৰেই কামনা কৰিলোঁ।

**ম'বাইল ঃ** ৮৬৩৮২-৫৪৬৩৯

# মাঘ বিহুত 'মেজি পোৱা' পৰম্পৰা আৰু ইয়াৰ তাৎপৰ্য

■ **জুৰিমণি মুদৈ,** ৰহা, নগাঁও

'বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰ মৌ-মিঠা মাত,
বিহু বা' লাগি বিহুৱা ককাইৰ ও
দেওধনি লাগিছে গাত।'

সৃষ্টিৰ সফলতা, কৃতকাৰ্যতাৰ আনন্দত অন্তৰৰ অনন্ত অনুভূতি হিয়া উজাৰি সুললিত, সুশ্ৰাব্য ভাষাৰে, সুকুমাৰ অঙ্গী-ভঙ্গীৰে প্ৰকাশ কৰাটোৱেই মানুহৰ সহজাত প্ৰবৃত্তি। নৃত্য-গীত সেই সহজাত সুকুমাৰ প্ৰবৃত্তিৰে মূৰ্ত্ত প্ৰকাশ। বিহুৰ উৎপত্তি উৎসও সেই সহজাত প্ৰবৃত্তিৰ প্ৰকাশৰেই নিদৰ্শন।

বিহু নামৰ উৎপত্তি য'ৰে পৰাই নহওক, বিহু হৈছে অসমীয়াৰ জাতীয় উৎসৱ। জাতীয় জীৱনৰ সকলো উচ্ছাহ, আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতি বিহুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। ক'বলৈ গ'লে, বিহুৱেই অসমীয়া জাতিৰ প্ৰাণ, অসমীয়া জাতিৰ প্ৰাণৰ প্ৰতিটো স্পন্দন, প্ৰতিটো নিশ্বাস-প্ৰশ্বাস, প্ৰতিটো অনুভূতি, জীৱনৰ কামনা-বাসনা, আগ্ৰহ, হেঁপাহ বিহুৰ বুকুতেই চিৰপ্ৰৱাহিত, চিৰ প্ৰতিফলিত হৈ আহিছে। বিহুৰ লগত অসমীয়া জাতিৰ প্ৰাণ এনেভাৱে সাঙোৰ খাই আছে যে, বিহুক বাদ দি অসমীয়া জাতিৰ কৃষ্টি, সংস্কৃতি, সভ্যতা, আনকি সাহিত্যৰ বৰ মজিয়াখনো উৰুঙা হৈ পৰিব।

চাওঁতে চাওঁতে অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুটি আমাৰ ঘৰৰ মজিয়াত প্ৰৱেশ কৰিলেহি। বহু হেঁপাহেৰে প্ৰতিজন অসমীয়াই পদূলি মুখৰপৰাই আনিলেহি আদৰি-সাদৰি। এয়া যেন বহু আনন্দ আৰু হেঁপাহৰ দিন। প্ৰাপ্তিৰ আনন্দই সকলোৰে হিয়া নধৰা হয়। পথাৰৰ সোণবৰণীয়া লখিমী আহি ঘৰ সোমাই অসমীয়াৰ ওঁঠত শান্তিৰ সাৰ্থকতাৰ হাঁহি বিৰিঙাই তোলে আঘোণ-পুহ মাহত। কৃষিকাৰ্যৰ কৃতকাৰ্যতাই অসমীয়াৰ মনলৈ পৰম নিৰ্ভৰতা আৰু গভীৰ প্ৰশান্তি আনি দিয়ে। প্ৰকৃতিৰ বুকু উদং হৈ যায়। প্ৰকৃতিৰ মহান অৱদানৰ স্বীকৃতি জনাই, অনন্তজনলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াই গুৰু-ভকতলৈ ন ধানৰ এমুঠি জা-জলপানৰ দিহা কৰি অসমীয়া জাতিয়ে পুহৰ সংক্ৰান্তিৰ দিনাই ভোগালী বিহু উদ্‌যাপন কৰে। সাধাৰণতে মাঘ বিহুটো মুখ্যতঃ তিনিদিন ধৰি চলে। সংক্ৰান্তি অৰ্থাৎ পুহ মাহৰ শেষ দিন। তাৰ পিছদিনা অৰ্থাৎ মাঘ মাহৰ প্ৰথম দিনা আচল মাঘৰ বিহু হয়। এই বিহুৰ আন এটা নাম ভোগালী বিহু। সম্ভৱতঃ আকালৰ অৱসান ঘটাই সকলো ফালেই ভোগৰ উভৈনদী হোৱাৰ বাবেই এই বিহুক 'ভোগালী বিহু' নামেৰে জনা যায়। কাৰণ এই সময়ত অসমৰ কৃষিজীৱি লোকসকলে অতি কষ্টেৰে কৰা কৃষি-কৰ্ম কাৰ্য সামৰি পথাৰৰ ধান-শস্য কাটি ভঁৰালত ৰাখে। গতিকে কষ্টেৰে কৰা উপাৰ্জনৰ পিছত সকলোৱে লগ হৈ আনন্দ মনেৰে তৃপ্তিৰে এসাঁজ খাবলৈ বিচাৰে। ধনী-দুখীয়া সকলোৱেই ভোগ কৰে বাবেই এই বিহুক 'ভোগালী বিহু' বুলি কোৱা হয়।

এই মাঘ বা ভোগালী বিহুৰ মূল আকৰ্ষণ হৈছে মেজি পোৰা প্ৰথা। এই সময়ত সূৰ্য মকৰ ক্ৰান্তিৰ ৰেখাৰ ওচৰলৈ যায় বাবে এই সংক্ৰান্তিৰ বিহু বা দোমাহীক মকৰ সংক্ৰান্তি বোলা হয়। মেজি শব্দটো উজনি অসমত সৃষ্টি হোৱা। এই শব্দটো বড়ো-কছাৰী মূলীয় প্ৰাচীন চুতীয়া ভাষাৰ 'মিডি-য়ে-জি'ৰ। মিডি-দেৱতা-পূৰ্বপুৰুষ, (য়ে--জুই, জি-উৰি যোৱা) পৰা সৃষ্টি হৈছিল। আনহাতে 'উৰুকা' শব্দটো চুতীয়া ভাষাৰ 'উৰুকুৱা'ৰ (অৰ্থ শেষ হোৱা)ৰ পৰা অহা বুলি জনা যায়। আন এক সূত্ৰমতে 'মেজি' শব্দটো বৈদিক 'মেধ্য' শব্দৰপৰা আহিছে। এই 'মেধ' শব্দটোৱে 'যজ্ঞ'কে প্ৰতিনিধিত্ব কৰে।

যি কি নহওক, মাঘ বিহুত ডেকাৰপৰা বয়োবৃদ্ধলৈকে পালন কৰা এটি উৎসৱ হৈছে - মেজি পোৰা প্ৰথা। মেজি হৈছে মাঘ বিহুত জ্বলাবলৈ তৈয়াৰ কৰা কাঠ বা খেৰৰ ওখ দ'ম। অসমীয়া সমাজত এই মেজি পোৰা প্ৰথাই এক বিশেষ মৰ্যদা লাভ কৰি আহিছে। ইয়াৰ লগত জড়িত হৈ আছে অসমীয়া জাতিৰ আৱেগ-অনুভূতি, আছে বহুতো জনবিশ্বাস।

মেজি তৈয়াৰ কৰাৰো বহুতো নিয়ম-নীতি আছে। মাঘ বিহুত এই মেজি সজাৰ নিয়ম ঠাই বিশেষে বেলেগ বেলেগ হোৱা দেখা যায়। উজনি অসমত আৰু মধ্য অসমৰ কোনো কোনো ঠাইত বাঁহ আৰু কাঠখৰিৰে মেজি সজা হয় যদিও অসম আৰু মধ্য অসমৰ কিছু অঞ্চলত শুকান কলপাত আৰু খেৰ-নৰা বা বিৰিণা আদিৰে মেজি সাজি জ্বলোৱা নিয়ম আছে। কোনো কোনো অঞ্চলত আকৌ কেৱল শুকান কলপাতেৰে অথবা নৰাৰে মেজি সজোৱা দেখা যায়। প্ৰথমে গোটা বাঁহ পুতি লৈ তাক কেন্দ্ৰ কৰি তাৰ চাৰিওফালে বাঁহৰ কামিৰে, দৌল আকৃতিৰ এটা জঁকা তৈয়াৰ কৰি, তাত নৰা বা বিৰিণা বান্ধি দি মেজি সজোৱা হয়। কোনো কোনো ঠাইত মেজিটো ধুনীয়া দেখাবলৈ মূৰত বিৰিণাৰে এপাহ ফুল সাজি লগাই দিয়া দেখা যায়। এই খেৰৰ মেজিবোৰ দহৰপৰা বিছ ফুট পৰ্যন্ত ওখকৈ সজা হয়।

মাঘ বিহুৰ উৰুকাৰ নিশা মেজি জ্বলাই ভেলাঘৰত ভোজ ভাত খাই আনন্দ -স্ফূৰ্তি কৰে। ৰাতি মেজি ৰাখিবলৈ কাষতে ভেলাঘৰো এটাও সজা হয়। এই ভেলাঘৰতে ভোজ ভাত খাই ৰাতি জুই পুৱাই মেজি ৰখে। ৰাতি ভেলাঘৰত মেজি ৰখি থকা ডেকাসকলে মানুহৰ ঘৰে ঘৰে গৈ গৃহস্থৰ ঘৰৰপৰা জেওৰা বা তেনেধৰণৰ শুকান বাঁহ চুৰ কৰি আনি থয়। ইয়ো এক উৰুকাৰ লগত জড়িত এটি সামাজিক পৰম্পৰা। সেয়ে ঘৰৰ কাঠ-বাঁহ চুৰ কৰি নিলেও গৃহস্থই গালি-শপনি নাপাৰে। অৱশ্যে কিছুমান ঠাইত গৃহস্থৰ ঘৰত, পৰম্পৰাৰ নামত কিছু ডেকাই গৃহস্থৰ অনিষ্ট সাধনো নকৰা নহয়। যি কি নহওঁক, এই ভেলাঘৰতেই গোটেই ৰাতি জুই পুৱাই মেজি ৰখে। কাহিলীপুৱাতে ভেলাঘৰত জুই জ্বলাই সেই জুইৰে সেকি কৰি গা ধুবলৈ যায় আৰু তিয়াই-তিয়নিয়ে আহি ৰাতি চুৰ কৰি আনি থোৱা, মোটাকৈ বান্ধি থোৱা শুকান জেওৰা খৰিৰে মেজি জ্বলায়। মেজিত জুই লগোৱাৰ সময়ত ইয়ালৈ সকলো মানুহ আহে আৰু সমাজৰ বয়োজ্যোষ্ঠজনে ডেকাসকলৰ সহযোগত ভক্তি সহকাৰে অগ্নিদেৱতালৈ নাৰিকল, তামোল, ঘি, তিল, মাহ-চাউল, লাৰু-পিঠা আদি নানান দ্ৰব্য অৰ্পণ কৰি অগ্নিদেৱতাক এইদৰেই মন্ত্ৰ আওৰাই পূজা কৰা হয়।

'অগ্নি প্ৰজ্বলিতং বন্দে চতুৰ্ব্বেদং হুতাশনং।
সুবৰ্ণ-বৰ্ণমমলং জ্যোতি ৰূপায় তে মনঃ।'

এইদৰে জ্বলোৱা মেজিৰ জুইয়ে সকলো অপায়-অমঙ্গল, অসূয়া-অশান্তি দহি সুখ-সমৃদ্ধি কঢ়িয়াই আনে বুলি প্ৰতিজন অসমীয়াই বিশ্বাস কৰি আহিছে। মেজিৰ তলত আশীৰ্বাদ ল'লে মানুহৰ মনৰ সকলো আশা-আকাংক্ষা পূৰণ হয় বুলি জনবিশ্বাস আছে। এক বিশ্বাস মতে, মেজিৰ আধাপোৰা খৰি আনি বাৰীৰ চুকত পোতা হয়। মেজি পোৰা শেষত তাৰ ছাঁইৰে সকলোৱে কপালত ফোঁট লয়।

অসমীয়া সমাজত এটা প্ৰচলিত প্ৰথা আছে যে মেজিৰ জুইৰ ছাই খেতিপথাৰত বা বাগিচাৰ গছ-গছনিত ছটিয়াই দিলে পোক-পৰুৱা নাশ হয় আৰু মাটিৰ উৰ্বৰতাও বৃদ্ধি হয়। আন এক জনবিশ্বাসমতে মেজি জ্বলালেহে গাৰ পৰা ঠাণ্ডা নোহোৱা হয়।

বৰ্তমান যুগ যান্ত্ৰিকতাৰ যুগ। যান্ত্ৰিকতাৰ ৰোষতেই হওক, নাইবা সময়ৰ পৰিৱৰ্তন আৰু আধুনিকতাৰ প্ৰভাৱতেই হওক, আগৰ তুলনাত মেজিৰ সংখ্যা কমি আহিছে। আজিকালি বহু ঠাইত পৰম্পৰাগত মেজিৰ সলনি আধুনিক স্থাপত্যৰ আৰ্হিত মেজি সজা দেখিবলৈ পোৱা যায়, যিটো দেখিবলৈ ধুনীয়া হ'লেও তাত চহা জীৱনৰ সেই আৱেগটো কিছু পৰিমাণে হেৰাই যোৱা দেখা পোৱা গৈছে। আগৰ দিনত গাঁৱৰ ডেকা-বুঢ়া সকলোৱে মিলি পথাৰৰ পৰা নৰা কাটি আনি অতি উৎসাহেৰে ওখকৈ মেজি সাজিছিল। কিন্তু বৰ্তমান সময়ত কৰ্মব্যস্ততা আৰু চহৰীয়া সংস্কৃতিৰ বাবে প্ৰায় মানুহৰে সময়ৰ অভাৱ। যাৰ ফলত সামূহিক মেজিৰ সংখ্যা কমি আহিছে। তাৰ মাজতেও কিছু লোকে নৰাৰ অভাৱৰ বাবে কেৱল খৰিৰে সৰু মেজি সাজি নিয়মটো ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা দেখা গৈছে। অৱশ্যে কিছু ঠাই বা অঞ্চলভেদে এতিয়াও গাঁৱৰ ডেকা-বুঢ়া সকলোৱে মিলি পথাৰৰ পৰা নৰা কাটি আনি ওখ মেজি নিৰ্মাণ কৰি আহিছে। গতিকে অসমীয়া জাতিৰ এই সমস্যাৰ বাবে আমিয়েই উঠি-পৰি কাম কৰিব লাগিব। বিহু আমাৰ প্ৰাণ, আমাৰ সংস্কৃতি। বিহুৰ লগত জড়িত এই পৰম্পৰাসমূহক আমিয়েই জীয়াই ৰাখিব লাগিব। সেয়ে এই পৰম্পৰা যাতে কালৰ কুটিল সোঁতত হেৰাই যাব নোৱাৰে তাৰ বাবে নতুন প্ৰজন্মক এই শিল্পৰ সৈতে পৰিচয় কৰাই দিব লাগিব। বহুতো নতুন প্ৰজন্মই মেজি কেনেকৈ সাজিব লাগে, তাৰ বিষয়ে বিশেষ জ্ঞান নাই। যদি এই শিল্পটোক আমি ধৰি ৰাখিব নোৱাৰোঁ, তেন্তে ভৱিষ্যতে ই কেৱল কিতাপৰ পাততহে সীমাবদ্ধ হৈ থাকিব। মেজি কেৱল এক জুইৰ উত্তাপ নহয়, ই আমাৰ একতা আৰু কৃষিভিত্তিক সংস্কৃতিৰ প্ৰতীক। গতিকে এই পৰম্পৰা তথা ৰীতি-নীতিবোৰক ধৰি ৰখাৰ প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য নিশ্চয়কৈ আছে।

# ভোগালী বিহু ঃ অসমীয়া জনজীৱনৰ কৃষি উৎসৱ

■ **আয়েশা ছিদ্দিকা (আছৰি),**
বাংলিপাৰা, বৰপেটা

**অ**সমৰ সমাজ জীৱনৰ সাংস্কৃতিক ক্ষেত্ৰৰ এক অপৰিহাৰ্য অংগ হ'ল বিহু। তিনিটা পৰ্বত বিভক্ত এই বিহুসমূহৰ ভিতৰত ভোগালী বিহু বা মাঘ বিহু হ'ল কৃষিভিত্তিক। যি অসমীয়া সমাজৰ সমৃদ্ধি, সমাৰ্থ আৰু সম্প্ৰীতিৰ প্ৰতীক। মাঘ মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা এই উৎসৱটোৱে শীতৰ সমাপ্তি আৰু নতুন কৃষি চক্ৰৰ আৰম্ভণিৰ সূচনা দিয়ে। ই এটা সামূহিক আৰু আধ্যাত্মিক অনুষ্ঠান। যাৰ জৰিয়তে অসমীয়া সমাজত একতাৰ এনাজৰী, আত্মীয়তাৰ বন্ধন আৰু মজবুত হয়। ভোগালী বিহু হ'ল অসমীয়া জাতি-জীৱনৰ এক মৌলিক আৰু প্ৰাণবন্ত উৎসৱ। নতুন উৎসাহৰে জীৱন আৰম্ভ কৰাৰ প্ৰতীক ৰূপে এই উৎসৱে অসমৰ সামাজিক-সাংস্কৃতিক জীৱনত এক বহল পৰিসৰৰ স্থান দখল কৰি আছে।

মকৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত ভোগালী বিহু কৃষিৰ ঋতুচক্ৰৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। এই সময়ত শালি জাতৰ ধান কটাৰ কাম সম্পূৰ্ণ হয়। গতিকে, খেতিয়কৰ ভঁৰাল নতুন চাউল, মাহ-দাইল, তিল-মৰাই আদিৰে পৰিপূৰ্ণ হৈ উঠে। উৎপাদনৰ এই সমৃদ্ধিৰে সৈতে মানুহৰ মনত সৃষ্টি হোৱা আনন্দ-উল্লাস আৰু কৃতজ্ঞতা প্ৰকাশ কৰাটোৱেই ভোগালী বিহুৰ মূল চালিকাশক্তি বুলিও ক'ব পাৰি। নতুন চাউলৰ পৰা তৈয়াৰী বিভিন্ন খাদ্য-পানীয়ই সৈতে উৎসৱৰ সৌন্দৰ্য্য আৰু দ্বিগুণ বঢ়াই তোলে।

ভোগালী বিহুৰ আটাইতকৈ মনোৰম ৰীতি হৈছে মেজিৰ জুই। বিহুৰ আগদিনা যুৱকসকলে গাঁৱৰ বিভিন্ন ঠাই কিংবা পথাৰৰ পৰা বাঁহ, খৰি, শুকান ঘাঁহ, শুকান কলপাত আদিৰে ওখ দম তৈয়াৰ কৰে যাক মেজি বোলা হয়। ইয়াত মাটিৰ হাড়ি, বাঁহৰ চুঙা ইত্যাদিও ৰখা হয়। পিছদিনা এই মেজি জুইৰে দাহন কৰা হয়। প্ৰাচীন কালত ইয়াক বাৰ্ষিক অগ্নি-উপাসনাৰ ৰূপত পালন কৰা হৈছিল বুলি অনুমান কৰা হয়। মেজিৰ জুইৰ চাৰিওকাযে ৰাতি প্ৰহৰত গীত-মাত- নৃত্য আদিৰে এক আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হয়।

ভোগালী বিহুৰ আন আকৰ্ষণীয় বিষয় হৈছে আৰু পৰম্পৰা অনুসৰি কৰা বাঁহ, নৰা, খেৰ আদিৰে নিৰ্মাণ কৰা ভেলা ঘৰ য'ত সকলোৱে সমৱেত হৈ চুবুৰীয়া, বন্ধু-বান্ধৱী আৰু আত্মীয়-স্বজনৰ সৈতে একেলগে ভোজনৰ আয়োজন কৰা হয়। এই ভোজত বিভিন্ন প্ৰকাৰৰ মাছ-মাংস, পিঠা-পনা, শাক-পাচলি আদি অন্তৰ্ভুক্ত হয়। এই যৌথভোজে সামাজিক সম্প্ৰীতি আৰু মিলাপ্ৰীতিৰ ভেটি মজবুত কৰে বুলি বিশ্বাস কৰে।

গৰু বিহুৰ দিনা ৰাতিপুৱা গৰুক মাহ হালধিৰে গা ধুৱাই নতুন পঘাৰে নতুনকৈ সজাই এক প্ৰচলিত গীত গায় -'লাউ খা বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা'। পুৰণিকালত গৰুৱেই কৃষকৰ মুখ্য সহায়ক আছিল। বৰ্তমান অৱশ্য বিভিন্ন আধুনিক প্ৰযুক্তি বিদ্যাৰে পূৰ্ণ যন্ত্ৰ বজাৰত উপলব্ধ। তথাপিও গৰুৰ প্ৰতি যি কৃতজ্ঞতাসম্পন্ন মনোভাৱ সেইটো আজিৰ সময়তো অক্ষুণ্ণ আছে। সেই বাবেই আজিৰ সময়তো গৰু বিহু পালন কৰা হয় অসমীয়া সমাজত।

বিহু উপলক্ষে কুস্তি, ম'হ যুঁজ, কণী যুঁজ আদি পৰম্পৰাগত খেল-ধেমালিৰো আয়োজন কৰা হয়। ডেকা-গাভৰুৱে বিহু নাচ-গানত অংশগ্ৰহণ কৰি উৎসৱৰ আনন্দ আৰু দ্বিগুণ বৃদ্ধি কৰে।

ভোগালী বিহু অসমীয়া সমাজৰ বাবে এক গভীৰ সাংস্কৃতিক তাৎপৰ্য বহন কৰে বুলি ক'ব পাৰোঁ।

ইয়ে কৃষি-ভিত্তিক সমাজৰ জীৱন-চক্ৰ আৰু মূল্যবোধক প্ৰতিনিধিত্ব কৰি কৃষিৰ উৎপাদন আৰু ভোগৰ মাজৰ সম্পৰ্কটো এই উৎসৱই উন্মোচিত কৰে। আৰু মেজি দাহন, যৌথভোজ আদিৰ জৰিয়তে সামূহিকতা, সহযোগিতা আৰু সামাজিক মিলনৰ পৰম্পৰাক বলৱৎ কৰাৰ লগতে পৰম্পৰাগত খাদ্য, খেল আৰু ৰীতি-নীতিৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত সাংস্কৃতিক পৰম্পৰাৰ প্ৰতি এক আগ্ৰহ আৰু আকৰ্ষণৰ সেতু গঢ় দিয়ে। আৰু ঋতুচক্ৰৰ সৈতে মানুহৰ সম্পৰ্ক আৰু প্ৰকৃতিৰ প্ৰতি থকা কৃতজ্ঞতা ভাবক প্ৰকাশ কৰে।

বৰ্তমান সময়ত দ্ৰুত গতিত হোৱা নগৰীকৰণৰ প্ৰভাৱতো ভোগালী বিহুৱে অসমীয়া সমাজত নিজৰ অস্তিত্ব অটুট ৰাখিবলৈ সক্ষম হৈছে। গ্ৰাম্য অঞ্চলত ইয়াৰ পৰম্পৰাগত ৰূপ প্ৰায় অপৰিৱৰ্তিতভাৱেই বিদ্যমান। আৰু নগৰ অঞ্চলতো বিভিন্ন সাংস্কৃতিক সংস্থা, শিক্ষানুষ্ঠান আদিয়ে মেজি দাহন, সাংস্কৃতিক অনুষ্ঠান আৰু ভোজৰ আয়োজন কৰি এই পৰম্পৰা জীয়াই ৰখাৰ চেষ্টা অব্যাহত ৰাখিছে। যদিও কিছুমান ৰীতিৰ ৰূপান্তৰ ঘটিছে, কিন্তু উৎসৱৰ মৌলিক ভাৱধাৰা আৰু আনন্দময় পৰিৱেশ আজিও অবিকৃত ৰূপত থকা দেখা যায়।

এক কথাত আমি ক'ব পাৰোঁ যে ভোগালী বিহু হৈছে অসমীয়া জাতীয় জীৱনৰ এক মৰ্মস্পৰ্শী আৰু প্ৰাণৱন্ত প্ৰকাশ। ইয়ে আমাৰ অসমীয়া সমাজৰ কৃষি-নিৰ্ভৰশীল ইতিহাস, প্ৰকৃতি-প্ৰেমিক মনোভাৱ আৰু সামূহিক জীৱন-দৰ্শনক সদায় এক বান্ধোনত বান্ধি ৰখাৰ চেষ্টা কৰে। এই উৎসৱে শীতৰ নিস্তব্ধতা ভাঙি নতুন উৎসাহৰে জীৱন আৰম্ভ কৰাৰ প্ৰেৰণা দিয়ে। বিশ্বৰ সাম্প্ৰতিক পৰিৱেশ সঙ্কটৰ প্ৰসংগত প্ৰকৃতি আৰু কৃষিৰ সৈতে সামঞ্জস্যপূৰ্ণ জীৱন-যাপনৰ যি শিক্ষা ভোগালী বিহুৱে দিয়ে, সেয়াই ইয়াক আধুনিক যুগতো প্ৰাসংগিক হৈ থকাত সহায় কৰিছে।

সেয়েহে, ভোগালী বিহুক আমাৰ অসমীয়া সমাজ জীৱনৰ সাংস্কৃতিক অভিযাত্ৰাৰ মূল স্তম্ভ বুলিও গণ্য কৰা হয়।

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

## তোমাৰ অনুভৱত আজি উজাগৰি ৰাতি

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

বহুত হেঁপাহৰ সেই ক্ষণ
অপেক্ষাৰ নামেৰে
দুনয়নত তোমাৰ ছবি আঁকি
হৃদয়ত তীব্ৰ বেগী শব্দ
যি শব্দত সুৰ তুমি,
লৈ ফুৰিছিলো এখনি পূৰ্ণাংগ
আকাশ
য'ত জোন তৰাৰ সলনি
তুমি মই মিলি এক হোৱাৰ নিশ্বাস।

সুমধুৰ কণ্ঠৰে য'ত
মোৰ নাম উচ্চাৰণ কৰি
ইটো সিটো বহুটো কথাৰে
চিনাকি কৰা চহৰখনৰ
কি নাম থওঁ?
নাৰ্ভাস তুমি নে মই
গমেই নাপালোঁ
কেতিয়ানো পাৰ কৰিলোঁ
তুমি নামৰ শব্দটি চাই চাই
সময় সোঁতত,
অস্পষ্ট হৈ ৰ'ল
আশাৰ ওঁঠত লাগিল যেন
কজলা বৰণ
সেয়ে তোমাৰ অনুভৱত
আজি উজাগৰি ৰাতি।

## কবিতাৰ সংগ

**হীৰক জ্যোতি দাস,** হাজো

পুৰণি ষ্টপেজটোত সুদীৰ্ঘ বছৰ পিছত ৰ'লোহি
কিন্তু সেই তাহানিৰ দৰে তুমি ৰৈ থকা নাছিলা
নাছিলে ডালিম গুটিয়া দাত কেইটা উলিওৱা হাঁহি থকা
মুখখনি যি সদায় দুচকু মুদিলে ভাঁহি উঠে
আছিল মাথোঁ কেইখিলা মান শুকান সৰাপাত
নুবুজিলো তুমি আঁতৰি যোৱাৰ বাবে কবিতাৰ সংগ ল'লো
নে কবিতাৰ সংগ ল'লো বাবেই তুমি আঁতৰিলা
আনকি এয়ায়ো নুবুজিলো তুমি আঁতৰিলা
বাবেই গানক নিচা হিচাপে পান কৰিলোঁ
নে গানক নিচা কৰি লোৱা বাবে তুমি আঁতৰিলা
দি গলা বুকুত এটুকুৰা কেঁচা ঘা
যি টুকুৰা ঘা আজিও শুকুৱাব পৰা নাই
যাৰ কেচেমা কেচেম গোন্ধই
আজিও শুৱ দিয়া নাই মোক।

## মানৱতা

**কৰবী দাস**
কামৰূপ গ্ৰাম্য

মানৱতাৰ শীৰ্ষত
কোনো সিংহাসন নাই,
নাই তৰোৱালৰ ভয়-
তাত মাথোঁ মানুহ হোৱাৰ সাহস।

উয়ে খোৱা বুকুত
এতিয়াও জ্বলি থাকে
মানুহ হোৱাৰ সম্ভাৱনা,
ভাবি ভাবি উজাগৰে
বুকুৰ ভিতৰত গোপন হাহাকাৰ।

মানৱতাৰ মূৰত
মুকুট কেতিয়াও নাথাকে-
কেতিয়াবা কলমত
কেতিয়াবা কৰ্মত
চিনাকি দিয়ে সি নিজকে।
মানৱ ধৰ্মৰ শিৰত
নাই কোনো ভয়ৰ আদেশ,
আছে মাথোঁ
মানৱতাৰ মধুৰ গান।

**ম'বাইল ঃ** ৯৭০৭৪-৪৬০৭৩

## ভিন্ন শীত

**বনশ্ৰী শৰ্মা**

এতিয়া নিয়ৰ পৰাৰ সময়
পানী গোট মাৰি বৰফ হোৱাৰ সময়,
আমি জুহালত জুই একুৰা ধৰি ৰৈ আছোঁ
জুইৰ উমত শীতৰ গল্প শুনিবলৈ,
এতিয়া শীত অহাৰ সময়।

এতিয়া পাইন গছবোৰে বগা মুকুতা পিন্ধাৰ সময়
সেউজী দলিচা শুভ্ৰ হোৱাৰ সময়,
আমি হেঁপাহেৰে ডিচেম্বৰৰ শেষলৈ বাট চাই আছোঁ
বৰদিন অহালৈ বুলি,
এতিয়া যে শীত অহাৰ সময়।
এতিয়া ফুটপাথত কাৰোবাৰ পুৰণি গৰম কাপোৰ
এডোখৰলৈ বাট চোৱাৰ সময়
পেটৰ তাড়নাত জুইৰ উম এৰি হাড় কঁপাই
বাহিৰলৈ ওলাই যোৱাৰ সময়,
শীত নপৰাকৈয়ে আহে যদি আহক বসন্ত বুলি ৰৈ আছোঁ
এতিয়া যে কঁপি কঁপি অনাহাৰে থকাৰ সময়।
শীত সকলোৰে বাবে একে নহয়,
শীতে সকলোৰে বাবে নকঢ়িয়ায় মধুৰ গল্প,
শীত কাৰোবাৰ বাবে যদি আনন্দ
আন কাৰোবাৰ বাবে উপবাস,
কাৰোবাৰ বাবে যদি আৰাম
আন কাৰোবাৰ বাবে পশুশ্ৰম।

**ম'বাইল ঃ** ৯৮৬৪১-৮৯৭৪৫

## এটি প্ৰেমৰ কবিতা

**হেৰম্ব নাথ**

তোমাৰ হাঁহিৰ ডেউকাত উঠি
মোৰ সপোনে উৰিব
যেতিয়া তুমি
বুকুৰ নিলগত
অমৃত নয়নে ক'বা
তুমি মোৰ মাথোঁ মোৰ.......।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

## মোৰ নিৰুদ্দেশৰ খবৰ

**কৰবী দত্ত**
শিক্ষয়িত্ৰী, টিংখং

সমাগমে ঢুকি নোপোৱা একাকীত্বই
নিশাবোৰ চেপি চেপি
কঙাল কৰিছে মোৰ প্ৰতিটো সূৰ্যোদয়ৰ উৎসৱ।
মই মোক ক'ত বিচাৰি পাম?
ৰ'দমুৱা হাঁহিবোৰত,
বৰষুণত তিতা কোনোবাটো উদাস সন্ধিয়াত,
ভাটীবেলাৰ পথিকৰ শুকান চকুবোৰত,
মোৰ নিষিদ্ধ ডায়েৰীৰ
দৈনন্দিন আঁক-বাক পৃষ্ঠাবোৰত---
নে সদ্যবিধবা গাভৰুৰ ৰঙা ফোঁটটোৰ বিদ্ৰোহত?

মই যে মোক হেৰুৱাই আহিলোঁ ক'ৰবাত
য'ত মোৰ হেৰুৱাৰ কোনো স্বত্ব নাছিল।
ঠিক সজাৰ চৰাইটোৰ দৰে,
যি ক্ৰমে পাহৰি পেলাইছে আকাশৰ ঠিকনা;
কাষ চাপিব খুজিও
ক্ৰমশঃ মই মোৰ পৰা আঁতৰি আহিছো।
আইনাৰ ঘৰৰ ৰঙীন কংক্ৰিটত
বাধ্যবাধকতাৰে উশাহ সলোৱা
নিৰ্দোষী মাছকেইটাৰ দৰে-
বাধ্যবাধকতাৰ শিকলিয়ে ধৰি ধৰি
এতিয়া মোক খোজ কঢ়ায়
স্বাৰ্থপৰ মানুহৰ পৃথিৱীত।
এতিয়া সেই নিৰ্দোষী হাঁহিবোৰে মোক কটাক্ষ কৰে,
যিবোৰৰ গৰাকী এদিন ময়ো আছিলোঁ।।

**ম'বাইল ঃ** ৮১৩৫৯-৭৬২৮৮

## প্ৰকৃতিৰ বুকুত

**ড° জিন্টুমনি বৰা**

(১)
এটা পখিলাৰ বয়স কিমান?
এক বা দুই সপ্তাহ,
কিমান উৎসাহেৰে
উৰি ফুৰে মোৰ চৌপাশে
উদাস মোৰ মন প্ৰফুল্লিত কৰি।

(২)
এজোৰ ঘন চিৰিকাই
বাঁহ সাজিলেহি
মোৰ বাৰান্দাৰ চিলিঙত
আহি, ভুৰং ভুৰং কৈ
উৰি ফুৰে,
মনৰ উলাহেৰে
মই চাই থাকো,
নোচোৱাৰ চল ধৰি।
পৃথিবীখন কম দিন পোৱা সকলে
উপভোগ কৰে বেছি,
বেছি পোৱা সকলে
কিয়নো থাকিম দুখৰ সাগৰত ডুবি?

## স্বৰ্গীয় অনুভূতিৰ সুৱাস

**মিনাক্ষী বৰা,** ডিব্ৰুগড়

উদিত সপোন সাৱটি মন গহনত
ভাৱনাৰ তোলপাৰ
তেনেদৰে তোমাকো সাৱটিছো
মোৰ হৃদয়ত অতি সযতনে।

ধুমুহাত বিধস্ত এটি মন লৈ
স্তব্ধ হৈ পৰিছিলো,
তোমাৰ হিয়াৰ উত্তাপত
মই সজীৱ হৈ পৰিলোঁ।

তোমাৰ অভিমানত মই অভিমানী হ'ব ধৰিলোঁ
তুমি নক'লেও বুজি পাওঁ মই,
মোৰ বাবে বুকুৰ নিভৃতত ৰখা মৰমৰ পৰিমাণ
ইয়ো এক অমূল্য উপহাৰ মোৰ জীৱনৰ।

তুমি কঢ়িয়াই অনা স্নিগ্ধতা আৰু প্ৰেৰণাত
বিছাৰি পাওঁ প্ৰেমৰ সংজ্ঞা,
মৰমৰ থল তোমাতেই পালোঁ।

বিছাৰোঁ জীৱনৰ ছন্দ তোমাৰ কাষত
তুমি আছা বাবেই মই আছো,
হৃদয়খন ভৰি উঠে তোমাৰ বাবে
এসাগৰ মৰমেৰে,
আলফুলীয়া জীৱনত মতলীয়া ফাগুনৰ
আবিৰ সানি লওঁ আহা।

সেউজীয়া প্ৰণয় বুকুত বান্ধি
সম্পৰ্কবোৰ বিশ্বাসেৰে
জীপাল কৰি বান্ধো আহাঁ
য'ত বিচাৰিলে পোৱা যাব
স্বৰ্গীয় অনুভূতিৰ সুৱাস।

## মেজি

**ৰশ্মি ৰেখা দুৱৰা**
ডিব্ৰুগড়

গাঁৱৰ মুখিয়ালে ৰাইজৰ লগত আলোচনা কৰি মেজি জ্বলোৱা পৰম্পৰা বন্ধ কৰাৰ সিদ্ধান্ত ল'লে। বহুবছৰৰ আগৰ উৰুকা দিনাৰ কাজিয়াখনে কাল হ'ল।

মনৰ দুখ শাম কাটিবৰ বাবেই নাতিনীয়িকহঁতৰ লগত ঘৰতে মেজিৰ তাপ লৈছে যদিও অতীতৰ আনন্দ নাই। ওচৰৰ গাঁওখনত দাওদাওকৈ পুৱাতে জ্বলা মেজিটো দেখি ককাৰ চকুৰে অশ্ৰু নিগৰি আহিল।

## কুইয়েৰ কবিতা 'আচৰিত...'

**মিন্টু (অভিজ্ঞান) বৈশ্য**

দেখিছা, সৌ মেঘৰ বুকুত উথলি উঠা নীহাৰ ৰঞ্জন?
শুনিছা নৈখনৰ সিপাৰে বাজি উঠা তপ্য মহন?
জানা এই নদীৰ পাৰতে ৰাজকোঁৱৰৰ প্ৰেম হৈছিল?
কাৰ লগত?
প্ৰজাৰ কোঁৱৰৰ লগত।
কি আচৰিত...।
আচৰিত???
সিদিনাও আচৰিত লাগিছিল, যিদিনা
উটুৱাই দিছিল এই নদীৰ বুকুৰেদি দুয়োৰে শৱ।
কি??? কোঁৱৰহত মৰিছিল?
বহুবাৰ.....। কিন্তু....।
তাৰমানে সিদিনা দুয়ো সচাকৈয়ে মৰিছিল অধিৰাগ?
উম....।
দুয়ো আত্মহত্যা কৰিছিল?
আচৰিত এই প্ৰশ্ন....।
কেইজনমান কোঁচাই আছিল তাত
কাষতে ৰৈ থকা মানুহবোৰে জুম পাতি চাইছিল।
দুয়ো দুয়োকে সাৱটি ধৰা দেখি কোনোৱে কৈছিল,
এনে পাপী প্ৰাণ কাটি নদীৰ বুকুৰেদি উটুৱাই দিয়া হওঁক।
সিদিনা কোনো অধিকাৰ নাছিল ৰাজকোঁৱৰৰ।
সেয়া ৰজাৰ আদেশ নে প্ৰজাৰ অনুৰোধ আছিল অধিৰাগ?
তাত আছিল কেৱল হুমুনিয়াহ।



## হেঁপাহৰ ভোগালী বিহুটি

**কল্যাণী গগৈ (মুনু)**
চিলাপথাৰ, ধেমাজি

শীতৰ ঠেঁতুৰৈ লগা জাৰৰ মাজতে
চাওঁতে চাওঁতে আহি পালেহিয়ে দেখোন
হেঁপাহৰ ভোগালী বিহুটি,
ডেকাহঁতে সৌৱা, পথাৰৰ নৰা কাটি
ভেলাঘৰ সাজিছে..
সকলোৰে ঘৰে ঘৰে
ভোগালীক আদৰাৰ যো-জা চলিছে।
গাঁৱৰ সিটো মূৰত শুনিছোঁ
ঢেঁকীৰ গোমগোমনি আৰু
তিৰোতাসকলৰ আড্ডা,
সকলোৱে পুৰিব হেনো
তিল-পিঠা, চুঙা-পিঠা,
লাৰু আৰু কত যে কি?
গৰু-ম'হৰ দৈ, চিৰা আৰু
সান্দহকে আদি কৰি,
চাৰিওফালে হ'ব
কেৱল ভোগৰ উভৈনদী।
উৰুকাৰ নিশা,
গাঁৱৰ সৰু বৰ সকলোৱে মিলি
মাছে-মঙহেৰে এসাঁজ ভোজ-ভাত খাব।
বায়ে উৰে নিশা উজাগৰে
পিঠা-পনা পুৰিব আৰু
পিছদিনা পুৱতি নিশাতেই আয়ে উঠি,
বাৰীৰ বিভিন্ন ফল-মূলৰ গছবোৰত
লাগনি গীত গাই গাই খেৰ বান্ধিব।
ভাইটিয়ে দোকমোকালিতে বিছনা এৰি
গা-পা ধুই উলাহত মেজি জ্বলাব,
পিতায়ে, অগ্নিদেৱতালৈ বুলি
সযোৰে আগবঢ়াই দিব
মাহ-কঢ়াই, আলু আৰু পিঠা-পনা।
আমিও সকলোৱে মিলি
দাউ-দাউকৈ জ্বলি উঠা
মেজিৰ লেলিহান জুইত জাহ দিম,
মনৰ কোণত বাহ লোৱা
সমাজৰ অহিতকৰ চিন্তা ভাৱনা।

**ম'বাইল ঃ** ৯৩৬৫৯-৬১২৫৪

*প্ৰথম পৃষ্ঠাৰ পৰা*

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সফলতাৰ এক

প্ৰদান কৰিছে। চৰকাৰী ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু কৰ ফাঁকি ৰোধ কৰাৰ ফলত ৰাজ্যৰ নিজস্ব আয় বহু পৰিমাণে বৃদ্ধি পাইছে। ৪৫ শতাংশ বৃদ্ধিৰ অৰ্থ হ'ল ৰাজ্যখনৰ সম্পদ উৎপাদনৰ ক্ষমতা বৃদ্ধি পাইছে আৰু ৰাজ্যখনে ধাৰাবাহিকভাৱে ১১-১২ শতাংশ বাৰ্ষিক হাৰত উন্নতি কৰিছে।

অসমৰ উদ্যোগ খণ্ডত ড° হিমন্ত বিশ্ব শৰ্মাৰ আটাইতকৈ ডাঙৰ সফলতা হ'ল বিশ্বৰ আগশাৰীৰ উদ্যোগিক গোষ্ঠীসমূহক অসমলৈ আকৰ্ষিত কৰা।

জাগীৰোডত টাটা গোষ্ঠীৰ ২৭,০০০ কোটি টকাৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপনৰ সিদ্ধান্ত অসমৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ উদ্যোগিক বিনিয়োগ। ই কেৱল নিযুক্তি দিয়াই নহয়, অসমক বিশ্বৰ উচ্চ-প্ৰযুক্তিৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্থাপন কৰা উদ্যোগিক পাৰ্ক আৰু 'ইজ অফ ডুইং বিজনেছ' (Ease of Doing Business) নীতিৰ ফলত স্থানীয় আৰু বহিঃৰাজ্যৰ বিনিয়োগকাৰীসকলৰ বাবে অসম এক স্বৰ্গদোপত পৰিণত হৈছে।

অসমৰ পৰিচয় চাহ উদ্যোগক সুৰক্ষা দিবলৈ চৰকাৰে গ্ৰহণ কৰা বিশেষ সাহায্য আঁচনি আৰু চাহ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি তথা কল্যানমূলক কামে এই খণ্ডটোক নতুন প্ৰাণ দিছে।

অৰ্থনৈতিক বিকাশৰ মূল ভেটি হ'ল উন্নত আন্তঃগাঁথনি। ড° শৰ্মাৰ কাৰ্যকালত অসমৰ পৰিবহণ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হৈছে।

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং, মাজুলী-যোৰহাট সংযোগী দলং আৰু ধুবুৰী-ফুলবাৰী দলঙৰ দৰে বৃহৎ প্ৰকল্পসমূহে অসমৰ ভৌগোলিক দূৰত্ব নাইকিয়া কৰিছে।

গাঁৱে-ভূঁএে পকী পথৰ জাল বিস্তাৰ কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথসমূহক ৪-লেন আৰু ৬-লেন যুক্ত কৰাৰ কাম ক্ষিপ্ৰগতিত চলিছে।

গুৱাহাটীক 'দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ' হিচাপে গঢ়ি তুলিবলৈ উৰণীয়া সেতু, পাৰ্ক আৰু স্মাৰ্ট চিটি প্ৰকল্পৰ জৰিয়তে চহৰখনৰ ৰূপ সলনি কৰাৰ চেষ্টা অব্যাহত ৰখা হৈছে।

অৰ্থনৈতিক বিকাশ কেৱল অট্টালিকা বা পথত সীমাবদ্ধ নাথাকে, ই জনসাধাৰণৰ জীৱন স্পৰ্শ কৰিব লাগে। ড° শৰ্মাৰ আঁচনিসমূহে ইয়াকে প্ৰমাণ কৰিছে—

**অৰুণোদয় আঁচনি ঃ** এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ৩০ লাখ মহিলাৰ বেংক একাউণ্টলৈ মাহিলি ধন প্ৰেৰণ কৰা হয়। ই গ্ৰাম্য অৰ্থনীতিত ক্ৰয় ক্ষমতা বৃদ্ধি কৰিছে আৰু মহিলাসকলক আৰ্থিক মৰ্যাদা দিছে।

**শিক্ষা খণ্ডৰ বিপ্লৱ ঃ** প্ৰতিটো সমষ্টিত মডেল স্কুল স্থাপন, নতুন বিশ্ববিদ্যালয় নিৰ্মাণ আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক স্কুটি আৰু জলপানি প্ৰদানৰ জৰিয়তে ভৱিষ্যতৰ দক্ষ মানৱ সম্পদ গঢ়ি তোলা হৈছে।

**স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণ ঃ** প্ৰতিখন জিলাতে মেডিকেল কলেজ স্থাপনৰ যি সংকল্প চৰকাৰে লৈছে, তাৰ ফলত অসম সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ 'হেলথ হাব' (Health Hub) হৈ পৰিছে। আয়ুষ্মান অসম আঁচনিয়ে দৰিদ্ৰ জনসাধাৰণক উন্নত চিকিৎসাৰ নিশ্চয়তা দিছে।

**কৃষি আৰু গ্ৰাম্য অৰ্থনীতিৰ সৱলীকৰণ ঃ** অসমৰ জনসংখ্যাৰ এক বৃহৎ অংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত কৃষি বিভাগক অধিক সক্ৰিয় কৰি তোলা হৈছে। ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰি কৃষকক ন্যূনতম সমৰ্থন মূল্য (MSP) প্ৰদান কৰাৰ ফলত মধ্যভোগীৰ প্ৰভাৱ হ্ৰাস পাইছে। ইয়াৰ উপৰি মীন পালন, পশুপালন আৰু আত্মসহায়ক গোটসমূহক দিয়া উৎসাহে গ্ৰাম্য অৰ্থনীতিক স্বাৱলম্বী কৰি তুলিছে।

**প্ৰশাসনিক স্বচ্ছতা আৰু যুৱ প্ৰজন্মৰ আশা ঃ** ড° হিমন্ত বিশ্ব শৰ্মাৰ আটাইতকৈ ডাঙৰ নৈতিক জয় হ'ল '১ লাখ চৰকাৰী চাকৰি'ৰ প্ৰতিশ্ৰুতি পূৰণ কৰা। কোনো দুৰ্নীতি নোহোৱাকৈ, কেৱল মেধাৰ ভিত্তিত যুৱক-যুৱতীসকলে চাকৰি পোৱাৰ ফলত সমাজত এক ধনাত্মক বাৰ্তা গৈছে। ইয়াৰ ফলত যুৱ প্ৰজন্মৰ মাজত কৰ্মসংস্কৃতি বৃদ্ধি পাইছে, যিয়ে পৰোক্ষভাৱে ৰাজ্যৰ জি.ডি.পি. বৃদ্ধিত অৰিহণা যোগাইছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যই স্বীকৃতি দিছে যে অসম ভাৰতৰ অৰ্থনীতিৰ এক নতুন ইঞ্জিন। ৪৫ শতাংশৰ এই বিকাশ কেৱল আৰম্ভণিহে। ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে এজন কঠোৰ পৰিশ্ৰমী আৰু তীক্ষ্ণ বুদ্ধিৰ নেতাৰ হাতত অসমৰ ভৱিষ্যত সুৰক্ষিত। তেওঁৰ লক্ষ্য কেৱল ৰাজপথ নিৰ্মাণ কৰাই নহয়, বৰঞ্চ প্ৰতিজন অসমীয়াৰ বুকুত স্বাভিমান আৰু সমৃদ্ধিৰ বীজ ৰোপণ কৰা।

অসম 'বিকাশ', 'বিশ্বাস' আৰু 'প্ৰগতি'ৰ এক নতুন পৰিভাষাত পৰিণত হৈছে। আগন্তুক দিনবোৰত এই ধাৰা অব্যাহত থাকিলে, ২০৩০ চনৰ ভিতৰত অসম ভাৰতৰ সৰ্বশ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম হ'ব বুলি থকা বিশ্বাস দৃঢ়তৰ হৈ পৰিছে। এই জয়যাত্ৰা প্ৰতিগৰাকী অসমীয়াৰ জয়যাত্ৰা, আৰু ইয়াৰ মূল সাৰথি হ'ল আমাৰ সকলোৰে আদৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা।

**ম'বাইল ঃ** ৮৮৭৬১-২৩১২৪

## মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপস্থিতিত উত্তৰ গুৱাহাটীৰ

স্মৰণ কৰে। তেওঁ কয় যে সময়ৰ লগে লগে এটা জাতিৰ সপোনৰ পৰিৱৰ্তন হয় আৰু মানুহে আগবাঢ়ি যাবলৈ সংকল্প গ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হিচাপে পেছাগত জীৱন আৰম্ভ কৰি সুদীৰ্ঘ এটা দশক ইয়াত ওকালতি কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ ভৱনটো ন্যায়ালয়খনৰ গৰিমা আৰু ভৱিষ্যতৰ ৫০ বছৰৰ অসমবাসীৰ সপোনৰ সৈতে খাপ নাখায়। অসমৰ বিধানসভা, উচ্চ ন্যায়ালয় বা সচিবালয়ক আধুনিক অসমক প্ৰতিনিধিত্ব কৰিব পৰাকৈ আৰু অসমৰ ৰাইজৰ সপোনৰ প্ৰতিষ্ঠান হিচাপে নিৰ্মাণ কৰাৰ বাবে ইচ্ছা থকা বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে বিধানসভা আৰু সচিবালয়ৰ পৰিৱৰ্তন কৰা হ'ল। কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰিৱৰ্তন হোৱা নাছিল। উচ্চ ন্যায়ালয়ক ৰংমহললৈ স্থানান্তৰ কৰাৰ প্ৰাৰম্ভিক চিন্তা-চৰ্চাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০২২ চনত উচ্চন্যায়ালয়ৰ তদানীন্তন মুখ্য ন্যায়াধীশ সন্দীপ মেহতাই গুৱাহাটী উচ্চন্যায়ালয়ক নতুন স্থানলৈ নিব লাগে বুলি মুখ্যমন্ত্ৰীক কৈছিল। উচ্চ ন্যায়ালয়ৰ নতুন চৌহদৰ বাবে গুৱাহাটীৰ আশে-পাশে কেইবাটাও স্থান পৰিদৰ্শন কৰাৰ পিছত ৰংমহলৰ এই ঠাইখিনি উপযুক্ত হ'ব বুলি ন্যায়াধীশ মেহতাই সদৰী কৰিছিল। তেওঁ কয় যে স্থান নিৰ্বাচনৰ পিছতে গুৱাহাটী উচ্চ ন্যায়ালয়ক আধুনিক ৰূপত নিৰ্মাণ কৰাৰ পৰিকল্পনা আৰম্ভ কৰা হৈছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰম্পৰাৰ লগত সংগতি ৰাখি প্ৰযুক্তিগতভাৱে উন্নত আৰু সুন্দৰ আন্তঃগাঁথনিৰ এটা চৌহদ নিৰ্মাণৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। ন্যায়াধীশ মেহতাৰ পিছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দায়িত্ব গ্ৰহণ কৰা বিজয় বিষ্ণয়ৰ কাৰ্যকালতে নতুন ভৱন তথা চৌহদৰ নক্সা আদি প্ৰস্তুত কৰা হয় আৰু সেই অনুসৰি ১৪৮ বিঘা মাটি অধিগ্ৰহণ কৰা হয় বুলি মুন্ত্ৰীয়ে উল্লেখ কৰে। ন্যায়পালিকাৰ ওপৰত থকা শ্ৰদ্ধাৰ বাবেই অতি মূল্যৱান ভূমি উচ্চন্যায়ালয় নিৰ্মাণৰ বাবে দিয়া হেতুকে মুখ্যমন্ত্ৰীয়ে ৰংমহলৰ ৰাইজক কৃতজ্ঞতা জনায়। উচ্চন্যায়ালয়ৰ নক্সা প্ৰস্তুতৰ সময়ত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্বল ভূঞাৰ পৰা পৰামৰ্শ লোৱাৰ লগতে গুৱাহাটী উচ্চন্যায়ালয়ৰ প্ৰতিগৰাকী ন্যায়াধীশৰো পৰামৰ্শ লোৱা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্ণাংগ আদালতে অনুমতি দিয়াৰ পিছতহে নিবিদা আহ্বান কৰা হৈছিল।

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' এক চমু অৱলোকন

■ প্ৰভাত বণিয়া

**অ**সমীয়া ভাষা সাহিত্য, সংগীত, কলা-সংস্কৃতিৰ এগৰাকী পুৰোধা জ্যোতিপ্ৰসাদ আগৰৱালা অসমৰ জাতীয় জীৱনৰ উজ্বল নক্ষত্ৰ। সাহিত্য সঙ্গীত অভিনয়, চিত্ৰকলা আদি বিভিন্ন দিশত তেওঁৰ সোণসেৰীয়া প্ৰতিভাৰ তুলনা নাই। সুৰকাৰ, গীতিকাৰ হিচাপে তেওঁৰ যি দক্ষতা আন আন দিশতো জ্যোতিপ্ৰসাদৰ প্ৰতিভা পৰিব্যপ্ত হৈ আছে। অসমৰ আকাশ, বতাহ, নৈ নিজৰা, আচাৰ ব্যৱহাৰ, গীত মাত, মাত কথা থলুৱা কৃষ্টি সংস্কৃতিৰ স্বৰূপ তেওঁৰ সৃষ্টিশীল ৰচনৰাজিয়ে অসমীয়া জাতীয় জীৱনক চিৰ সমৃদ্ধি কাৰি তুলিছে।

সেই তাহানি কালৰে পৰা অসম বিভিন্ন জনগোষ্ঠী, ভাষা ভাষী, ধৰ্মালম্বী লোকৰ বাসস্থান। সকলোৱে সমন্বয়ৰে উদাৰ দৃষ্টিভঙ্গীৰে একতাৰে বৃহৎ অসমীয়া জাতি হিচাপে আজিকোপতি বিশ্বত পৰিচয় বৰ্তাই ৰাখিবলৈ অহোপুৰোষাৰ্থ কৰি আহিছে। 'অসমীয়া ডেকাৰ উক্তি' শীৰ্ষক কবিতাত জ্যোতিপ্ৰসাদে উল্লেখ কৰিছে-

মই
কত পৰ্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ
হিলদ'ল ভাঙি
বৈ আহি আহি
বৰ লুইতত
হৈ যাওঁ একাকাৰ।

এইদৰে জ্যোতিপ্ৰসাদ আগৰৱালাই গীত, কবিতা, সংগীত আৰু সমকালীন নাট্য সাহিত্যৰ মাজেদি সমন্বয়ৰ জয়ধ্বজা উৰুৱাই অসমৰ সহজ সৰল জনতাক ভেদাভেদ বিহীন সমাজ এখনত একত্ৰিত কৰি ৰাখিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা কেবাখনো সামাজিক প্ৰেক্ষাপটতত ৰচিত নাটক আমি পঢ়িবলৈ পাইছো। সিবিলাকৰ ভিতৰত ৰূপালীম তেওঁৰ অন্যতম সৃষ্টি বুলি চৰ্চিত। সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱলাৰ ৰূপালীম নাটকখনত সুন্দৰ আৰু অসুন্দৰৰ সংঘাতৰ কাল্পনিক চিত্ৰ এখন অংকিত হোৱা দেখা গৈছে। জ্যোতিপ্ৰসাদৰ ডেকা বয়সৰ ৰচনা ৰূপালীম নাট প্ৰেম, ভাল পোৱা, হিংসা, ত্যাগ আৰু সংঘাতপূৰ্ণ ঘটনাবহুল কৰুণ কাহিনীৰে সমৃদ্ধ।

ৰূপালীম নাট সন্দৰ্ভত জ্যোতিপ্ৰসাদ আগৰৱলাই পাতনিতে কৈছে যে এই নাটকখনত আদৰ্শ চৰিত্ৰ অংকণ কৰাতকৈ চৰিত্ৰৰ বৈচিত্ৰতা দেখুৱাবলৈ চেষ্টা কৰা হৈছে। তেওঁ আৰু উল্লেখ কৰিছে যে ৰূপালীম নাটখনত বিদেশী নাট্যকাৰ মেটাৰলিংকৰ মোন্নাভেন্না নাটৰ কিছু প্ৰভাৱ পৰিছে।

আমাৰ আলোচ্য ৰূপালীম নাটৰ প্ৰধান চৰিত্ৰসমূহ হ'ল- ৰূপালীম, ৰূপালীমৰ প্ৰেমিক মায়ব, ৰূকমী ৰজা, ইটিভেন, জুনাফা,প্ৰান্তীয় ৰজা মণিমুগ্ধ। সুন্দৰী ৰূপালীমক পাবলৈ প্ৰান্তীয় ৰজা মণিমুগ্ধ অতিশয় ব্যাকুল। ৰূপালীমে প্ৰেমিক মায়াবক ভাল পায়। পিতৃ জুনাফাই তাইক মায়াবৰ লগত বিয়া দিবলৈ কথা দিছে। মণিমুগ্ধ যেনেকৈ অত্যাচাৰী তেনেকৈ সাংঘাটিক প্ৰেমিক, দাৰ্শনিক তথা শিল্পী সুলভ প্ৰকৃতিৰ আৰু সুন্দৰৰ পূজাৰী। ইফালে ইটিভেন ৰূকমী ৰাজ্যৰ ৰজাৰ ভনীয়েক। ৰজা মণিমুগ্ধৰ বাকদত্তা। ৰূপহী ৰূপালীমক দেখাৰে পৰা মণিমুগ্ধ তাইৰ প্ৰেমত অস্থিৰ। জুনাফা আৰু মায়বক বন্দী কৰি ৰুপালীমক মণিমুগ্ধই ৰাজকাৰেঙলৈ জোৰ কৰি লৈ আনে। তাইৰ অন্তৰ পাবলৈ মণিমুগ্ধই কত যে চেষ্টা নকৰিলে 'মণিমুগ্ধৰ নিৰ্দেশত ৰূকমী ৰাজ্যৰ ঘৰ জুই লগাই দিয়া হ'ল। জ্বলি ছাই হোৱা ঘৰবোৰৰ দৃশ্য মণিমুগ্ধই উপভোগ কৰিছে। প্ৰেমিক মায়ব আৰু পিতৃ জুনাফাৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে। শোৱনি কোঠাত আবদ্ধ ৰূপালীমৰ ৰূপ সৌন্দৰ্য্য উপভোগ কৰিবলৈ ৰজা মণিমুগ্ধ উদ্বাউল হৈ পৰিছে। ৰূপালীম ভয় শংকাত নিস্তেজ হৈ পৰিছে। মণিমুগ্ধই ৰূপালীমক কৈছে যদি সুন্দৰী ৰূপালীমে তাইৰ ধুনীয়া শৰীৰটো মণিমুগ্ধক দান কৰে তেনেহ'লে তাইৰ মৰমৰ প্ৰেমিক মায়ব, পিতৃ জুনাফাক এৰি দিব। জোৰ কৰি ৰূপালীমক একো অনিষ্ট নকৰে। ৰূপালীম নিস্তেজ, কোনো সঁহাৰি নাই। তাইৰ মন জয় কৰিবলৈ শয্যাত বহুৱাই অপলক নয়নে চাই থাকিল। ভয় শংকাত ৰূপালীম শেতা পৰি গৈছে। ৰাতি পুৱাবৰ হ'ল। ক্ৰমে পোহৰ হৈ আহিল। জ্ঞান চকু মুকলি হ'ল মণিমুগ্ধৰ। প্ৰজ্ঞাৰ পোহৰত মণিমুগ্ধৰ অন্তৰত থিতাপি লোৱা কামনা বাসনাৰ দুৰ্বাৰ চাকি গছি নুমাই গ'ল। আঁতৰৰ পৰাই ৰূপালীমৰ সৌন্দৰ্য উপভোগ কৰি জাগৰিত যৌনসুধা নিৰ্বাপিত কৰিলে মণিমুগ্ধই। বল প্ৰয়োগ কৰি ৰূপালীমৰ অন্তৰ পাবলৈ মণিমুগ্ধই অকণো চেষ্টা নকৰিলে। কোঠাৰ চাকি নুমাই গ'ল। আনটো কোঠাৰ পৰা অহা কোমল পোহৰে তেওঁৰ দুৰ্বল মানসিকতাক সবল কৰি তুলিলে। লিগিৰি এগৰাকীৰ মাতত তেওঁৰ সম্বিত ঘূৰি আহিল-ৰাতি পোহৰ হ'ল। 'জয় আলোকময়

অনাদি অনন্ত প্ৰসাৰী
বিশ্ব জীৱন জ্যোতি।

গীত বাজি উঠিল। মণিমুগ্ধৰ জীৱন আকাশত সূৰ্য উদয় হ'ল। অন্তৰৰ আন্ধাৰ আঁতৰ হ'ল মণিমুগ্ধই ৰূপালীমক ক'লে- ৰূপালীম তুমি মুক্ত, যোৱা। প্ৰেমিক মায়াব আৰু দেউতাক জুনাফাক মুকলি কৰি দিলে। কিন্তু চৰিত্ৰৰ কোনো দাগ নথকা ৰূপালীম ৰূকমী ৰাজ্যৰ ৰজা প্ৰজাৰ বিচাৰত অসতী, ৰূকমী ৰাজ্যৰ কলঙ্ক বুলি দোষী সজাই মৃত্যুদণ্ড দিলে। ৰাজহুৱাভাৱে ৰূপালীমক জুইত পুৰি মৰা হ'ল। এই বিচাৰৰ নেতৃত্ব ল'লে ৰূকমী ৰজাৰ ভনীয়েক ইটিভেনে। মণিমুগ্ধৰ লগত বিয়া ঠিক হোৱা ইটিভেনে প্ৰতিশোধৰ জ্বালাত জ্বলি পুৰি মৰিছিল। তাইৰ প্ৰতিদ্বন্দ্বী ৰুপালীমক নিঃশেষ কৰি বাটৰ কাঁইট আঁতৰাই দিয়াই হ'ল তাইৰ উদ্দেশ্য। ৰূপালীমে প্ৰেমিক মায়ব, দেউতাক জুনাফা আৰু ৰূকমী ৰাজ্যৰ জনগণক ৰক্ষা কৰিবলৈ মণিমুগ্ধৰ ওচৰত আত্মসমৰ্পণ কৰাৰ উদ্দেশ্যে মণিমুগ্ধৰ কক্ষত প্ৰৱেশ কৰিবলগীয়া হৈছিল যদিও তাই কোনোপধ্যে ৰজা মণিমুগ্ধৰ ওচৰত ধৰা নিদিলে। তাইৰ সতীত্ব অক্ষত হৈ ৰ'ল সেই কথা কোনেও নবুজিলে। ৰূপালীমৰ হৈ কোনেও প্ৰতিবাদ কৰিবলৈ সাহস নকৰিলে। অসহায়ভাৱে মায়বে মাটিত বাগৰি বাগৰি কান্দি থাকিল। অতি কৰুণ পৰিণতিৰে অন্ত হয় জ্যোতিপ্ৰসাদৰ নাট ৰূপালীম। নাটৰ দৃশ্যাংশৰ পৰিকল্পনা আৰু উপস্থাপনা মনোৰম। সংলাপ মধুৰ। নাটৰ নায়িকা ৰূপালীমে ৰজা মণিমুগ্ধক তাই মায়বক কিমান ভাল পায় এইদৰে কৈছে -মই ক'ব নোৱাৰোঁ, খুব ভাল পাওঁ। গছত যিমান ফুল আছে, ডালত যিমান পাত আছে, শুইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে-তিমান।

জ্যোতিপ্ৰসাদে ৰূপালীম নাটকত সন্নিৱিষ্ট কৰা গীত কেইটা অতি মনপৰশা-- (১) জিৰ জিৰ নিজৰি জিৰ জিৰ নিজৰি অ', (২) জিলিকা পাখিৰে অ' সোণ ম'ৰা চৰাই, (৩) অ' সখী আজি যৌৱন বন জুৰি, (৪) জয় আলোকময়।

সুন্দৰ সংলাপ, মনোমোহা গীতাংশ আৰু কাহিনীৰ উপস্থাপনা ৰীতি এই সকলোটি উপাদানে জ্যোতিপ্ৰসাদৰ ৰূপালীম নাটখনি সাৰ্থক আৰু মহীয়ান কৰি তুলিছে।

সত্যমেব জয়তে
অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ
নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প'ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

আৰক্ষীৰ যোতে যোগাযোগ কৰিবলৈ-

- ৯১৮১০-১৪৮৮৮
- ১১২
- ০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক


# পৰেশ বৈশ্যৰ ডায়েৰী ‘সময়ৰ পাণ্ডুলিপি’ উন্মোচন



**গুৱাহাটী ঃ** লেখক-সাংবাদিক, শিক্ষাবিদ পৰেশ বৈশ্যৰ ২০২৫ বৰ্ষৰ ডায়েৰী ‘সময়ৰ পাণ্ডুলিপি’ ১১ জানুৱাৰীত গুৱাহাটীৰ পশ্চিম বৰাগাঁও হাউছফেড হাউছিং কমপ্লেক্সত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি পৰেশ বৈশ্যই কয় যে তেখেতে বিগত চল্লিছ বছৰৰো ওপৰকাল নিয়মীয়াকৈ ডায়েৰী লিখি আহিছে। কিন্তু ২০২৩ বৰ্ষৰ পৰাই নিজৰ ডায়েৰীখন গ্ৰন্থ আকাৰে প্ৰকাশ কৰি আহিছে। তেওঁ লগতে কয় যে ডায়েৰীখন ব্যক্তিগত যদিও তাত সমাজ জীৱনৰ বিভিন্ন দিশৰ ছবি ফুটাই তুলিবলৈ প্ৰয়াস কৰা হৈছে। ডায়েৰীখন উন্মোচন কৰি দিয়া ভাষণত সাহিত্যিক, সমালোচক তথা বিশিষ্ট নিবন্ধকাৰ জ্যোতি খাটনিয়াৰে কয় যে সাধাৰণতে মানুহে নিজৰ জীৱন দশাত ব্যক্তিগত ডায়েৰী প্ৰকাশ কৰিবলৈ সাহস নকৰে। পৰেশ বৈশ্যৰ এয়া এক সাহসী পদক্ষেপ। ডায়েৰীৰ আধাৰত ব্যক্তি বিশেষৰ জীৱন লিখাৰ নিৰ্ভৰযোগ্য সমল লাভ কৰিব পাৰি। অসমৰ গোপীনাথ বৰদলৈৰ ডায়েৰীখনে তেখেতৰ জীৱন চৰ্যা অধ্যয়নৰ  সুযোগ কিদৰে দিছে সেই বিষয়েও তেখেতে উল্লেখ কৰে। তেখেতে এতিয়ালৈকে প্ৰকাশৰ মুখ নেদেখা কাৰ্বি আংলঙৰ জননেতা খৰছিং টেৰণৰ ডায়েৰীখনৰ গুৰুত্বৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে পৰেশ বৈশ্যৰ ডায়েৰী বিস্তৃত আৰু নিয়াৰিকৈ লিখা। অসমীয়া ডায়েৰী সাহিত্যৰ ধাৰা নিৰ্মাণত পৰেশ বৈশ্য ডায়েৰীয়ে এক বিশেষ স্থান দখল কৰিব বুলি তেখেতে আশা প্ৰকাশ কৰে। সভাত সন্মানিত অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠকে কয় যে গুৰু চৰিতৰ যোগেদিয়েই অসমীয়া ডায়েৰী সাহিত্যৰ ভেটি স্থাপন হৈছিল। পৰেশ বৈশ্যৰ ডায়েৰীত সাম্প্ৰতিক অসমৰ এখনি সুন্দৰ চিত্ৰ প্ৰকাশ পাইছে। গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দি পৰিৱেশ বিজ্ঞানী ড° অৰূনী কুমাৰ ভাগৱতীয়ে কয় যে ডায়েৰীত সকলো সত্য কথাই লিখা হয় বুলি ধৰাটো এক ঐতিহাসিক ভুল। ডায়েৰীত সকলো সঁচা কথা লিখাটো সহজ নহয়। তেওঁ কয় যে পৰেশ বৈশ্যৰ ডায়েৰীত তেখেতে সাহিত্যিক হৈয়ো এগৰাকী তীক্ষ্ণ দৃষ্টিৰ সাংবাদিক হিচাপেহে ধৰা দিছে। সমসাময়িক ঘটনা প্ৰৱাহৰ ক্ষেত্ৰত তেখেতৰ দৃষ্টিভংগী কৌশলেৰে দিবলৈ চেষ্টা কৰাটো এক মনকৰিবলগীয়া কথা। পৰেশ বৈশ্যৰ ডায়েৰীখন দিনপঞ্জীৰ পৰা এঢাপ ওপৰলৈ গৈ দৈনিক বুৰঞ্জীলৈ উত্তৰণ ঘটিছে বুলিও তেখেতে মন্তব্য কৰে। তেখেতে আৰু কয় যে ডায়েৰী লিখাটো এক কষ্টসাধ্য কাম। ই জীৱনকো শৃংখলিত কৰে বুলি তেওঁ মন্তব্য কৰে। সভাত ভাষণ দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে বৈশ্যৰ ব্যতিক্ৰমী প্ৰয়াসসমূহৰ শলাগ লয়। অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দিবাকৰ চন্দ্ৰ দাসে কয় যে পৰেশ বৈশ্যৰ সদ্য প্ৰকাশিত ডায়েৰী ‘সময়ৰ পাণ্ডুলিপি’ক সাধাৰণ ডায়েৰী বুলি নকৈ এখন সামাজিক বুৰঞ্জী বুলি ক’লেহে উচিত বিশ্লেষণ হ’ব। গ্ৰন্থ উন্মোচনী সভাত যুৱ লেখিকা উদ্দীপনা খাটনিয়াৰ, পৰেশ বৈশ্য ফাউণ্ডেচনৰ ন্যাসৰক্ষী পূৰ্ণিমা দাস বৈশ্যও উপস্থিত থাকে।



















স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০০৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 & Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা